REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 27

The 30th March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 27

Dated the 30th March, 1979.

CONTENTS.


| | Page No. |
|---|---|
| 1. Questions ... ... ... ... ... | 5— 68 |
| 2. Statement of Minister ... ... ... ... | 69—80 |
| 3. Calling Athention ... ... ... ... | 81—86 |
| 4. Matter Under Rule 301 ... ... ... | 87—89 |
| 5. Presentation of Report of Legislure Committee ... ... ... .. | 90—94 |
| 6. Government bill ... ... ... | 95—105 |
| 7. Adjournment ... ... ... ... ... | 105 |

Proceedings of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur Gauhati on Friday, the 30th April, 1979 with the Hon. Deputy Speaker in the Chair, 11 (elelve) Minister, 4 (four) Ministers of State, 4 (four) Parliamentary Secretries and 81 ( eighty one ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 30th March, 1979

( To which oral answers were given )

———

Pending starred Question No. 392 [ supplementaries ]

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে কোনো কাকতত আৰু গেজেটত জাননী নিদিয়াকৈ এই পদ যোৰ কি নীতি অনুসৰণ কৰি পূৰণ কৰা হল ?

Shri Jagannaih Sinha ( Minister ):— The post was not advertised.

শ্ৰীহেমেন দাস :— এড্ভাৰটাইজ হোৱা নাই বুলি জানো কিন্তু কি নীতি অনুসৰণ কৰি এই পদ বিলাক পূৰণ কৰা হল?

শ্ৰীজগন্নাথ সিংহ :— ( উদ্যোগ মন্ত্ৰী ) :— অন্যান্য যিবিলাক এষ্টাব্লিচমেণ্ট আছে other establishment of the Govt. to sponsore the names and from these names it was taken.

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নতুন পদ বিলাক পূৰণ কৰাৰ কাৰণে এই পদ্ধতিৰে নিয়োগ কৰাৰ ব্যৱস্থা ক'ত পালে ?

শ্ৰীজগন্নাথ সিংহ ( উদ্যাগ মন্ত্ৰী ) :— আমি সেইটো পোৱা নাই। চেলেকচন কমিটিয়ে ৰিকমেনড্ কৰি দিয়া লিষ্টখন পাইছো সেইকাৰণে এইটো পেনডিং কৰি থৈছো।

শ্ৰীহেমেন দাস :— চৰকাৰে কোনো পদ্ধতি নোহোৱাকৈ এই ব্যৱস্থা ক'ত পালে-যাৰ কাৰণে আজি সদনত বিষয়টো পুনঃ আলোচনা কৰিব লগীয়া হৈছে। বিভাগে জাননী নিদিয়াকৈ নিয়োগ কৰা নীতি আগৰ চৰকাৰৰো নাছিল আৰু বৰ্ত্তমান চৰকাৰৰো নাই। এই অৱস্থাত বিভিন্ন বিভাগৰ পৰা আহি চাকৰিত মকৰল হোৱা নীতি ক'ত আছে।

শ্ৰীজগন্নাথ সিংহ :— [ উদ্যোগ মন্ত্ৰী ] সেইটো নীতি হল যদি ইণ্ডাষ্ট্ৰি বিভাগত মানুহ আছে—তেতিয়াহলে তাৰ পৰাই লব পাৰে আৰু প্ৰত্যেক বিভাগৰ পৰাও চৰকাৰী ভাবে জাননী দি মানুহ লৈ থাকে। সেই-

কাৰণে এড্ভাৰটাইজ কৰা নাই। কিন্তু এতিয়া কমিটিলৈ ৰিপ্ৰেজেন-টেচন অহাৰ কাৰণে বৰ্ত্তমান চৰকাৰৰ ফালৰ পৰা ষ্টগিত কৰি ৰখা হৈছে।

শ্ৰীঅতুল গোস্বামীঃ— এনেকুৱাকৈ বিভাগে কেইজনমান এল, ডি আৰু ইউ, ডি এচিচ্টেন্টক এচিচটেন্ট মেনাজাৰ কৰি ইতিমধ্যে পঠাইছিল-এই কথা সচাঁ নে?

শ্ৰীজগন্নাথ সিংহ ( উদ্যোগ মন্ত্ৰী ) :—ইণ্ডাষ্ট্ৰি বিভাগৰ দুটা কেডাৰ আছে এটা হল জুনিয়ৰ এচ্চিষ্টেনচন অফিচাৰ 'গ্ৰেড্ - টু' — আৰু আনটো হল ইন্সপেক্টৰ। গতিকে তাত যদি কোনোবা আণ্ডাৰ মেট্ৰিক আগতে সোমাই আছে - তেন্তে তেওঁক প্ৰমোচন দিব পাৰে ।

শ্ৰীঅতুলচন্দ্ৰ গোস্বামী :—এচিচ্টেন্ট মেনজোৰ পদৰ কাৰণে সচিবা-লয়ৰ কোনোবা এল, ডি, আৰু ইউ, ডি এচিচ্টেন্টক নিয়োগ পত্ৰ দিয়া কথাটো সচাঁনে ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ মন্ত্ৰী) :—কোনো নিয়োগ পত্ৰ দিয়া নাই।

শ্ৰীঅতুল গোস্বামী :—এচিচটেন্ট মেনেজাৰ পদৰ কাৰণে কোনোবা এল, ডি আৰু ইউ, ডি এচিচটেন্টৰ নাম ৰিকমেণ্ড কৰি দিয়া আছে নে?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ মন্ত্ৰী) :— নাম ৰিকমেনড্ হৈছিল যদিও আমি এতিয়া সেইটো ষ্টপ কৰি ৰাখিছো ।

শ্ৰীমুকুট শৰ্ম্মা :— এচিচটেণ্ট মেনেজাৰৰ কাৰণে ডিৰেক্টৰ অৱ ইণ্ডাষ্ট্ৰিয়ে এল, ডি আৰু ইউ, ডি এচিচটেণ্টৰ নাম প্ৰস্তাৱ কৰা হৈছে — কিন্তু মন্ত্ৰী মহোদয়ে কৈছে যে— সেইটো কেনচেল কৰি নতুন লিষ্ট বনাব — কিন্তু কি পদ্ধতিত এইটো লিষ্ট নতুনকৈ লবলগীয়া হল ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে— লিষ্ট বনোৱা হোৱা নাছিল— হয়তো কোনোৱা এল, ডি বা ইউ, ডিয়ে সোমাই গৈছিল— সেই কাৰণে এইটো লিষ্ট 'ষ্টে' কৰি ৰখা বুলি কৈছে ।

শ্ৰীপ্ৰেমধৰ বৰা :— চৰকাৰে নতুনকৈ নিযুক্তি দিয়াৰ ক্ষেত্ৰত যি নীতিৰ কথা কৈছে— সেইটো ভাল পাইছো । কিন্তু আগৰ নিয়োগ নীতি কিয় বিসৰ্জ্জন দিব লগীয়া হল—সেই বিষয়ে— অনুসন্ধান কৰি বিহিত ব্যৱস্থা লব নে ?

শ্ৰীকেশৱচন্দ্ৰ গগৈ ( বিত্তমন্ত্ৰী ): — ইণ্ডাষ্ট্ৰি বিভাগত বিভাগীয় কেন-ডিডেটক প্ৰমোচন দি এচিচ্‌টেণ্ট মেনেজাৰ কৰাত কোনে ভুল নহয় । তেনেকৈ কৰিব পৰা যায় । তেনেকৈ অন্য বিভাগৰ পৰা জৰুৰীকালীন অৱস্থাত আনি যদি এডভাৰটাইজ কৰি ৰেগোলাৰাইজড্‌ কৰা হয়- তেতিয়া সেইটো নাপাব পাৰে ।

শ্ৰীহেমেন দাস : — মই বিত্তমন্ত্ৰীৰ লগত একমত হব নোৱাৰিলোঁ কাৰণ নতুনকৈ কোনো পদ সৃষ্টি হলে সেই নতুন পদৰ বাবে জাননী দিবই লাগিব । আগৰ পদ খালি থাকিলেহে প্ৰমোচন দি পাব পাৰে বিভাগৰ ফালৰ পৰা । গতিকে এই ডি, আই, চি'ৰ যিবোৰ পোষ্ট,

সেইবোৰ সম্পূৰ্ণ নতুন পোষ্ট। এইবিলাক পোষ্ট আগতে নাছিল। এই ক্ষেত্ৰত কেনেকৈ জাননী নোহোৱাকৈ নিযুক্তি দিলে?

শ্ৰীকেশৱচন্দ্ৰ গগৈ : —এই ক্ষেত্ৰতো ভুল হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। সেই কাৰণে ষ্টপ কৰি ৰখা হৈছে।

বিষয় :কাহিলীপাৰাত অৱস্থিত অসম ফিল্ম ষ্টুডিঅ'

শ্ৰীকুলবাহাদুৰ চেত্ৰীয়ে সুধিছে :

*৪০৬। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) কাহিলীপাৰাত অৱস্থিত অসম ফিল্ম ষ্টুডিঅটো কেতিয়া স্থাপন কৰা হৈছিল আৰু ইয়াৰ পৰিচালনাৰ বাবে কোনো সমিতি গঠন কৰা হৈছে যদি তাৰ কাৰ্য্যকাল কিমান দিনৰ জনাবনে?

(খ) এই ষ্টুডিঅ'ত এতিয়ালৈকে কিমান বোলছবি তৈয়াৰ হৈছে আৰু অসমৰ ছবি পৰিচালক সকলক ছবি কৰাৰ বাবে সকলো সুবিধা হৈছেনে?

(গ) আৰম্ভৰ পৰা এতিয়ালৈকে এই ষ্টুডিও নিৰ্ম্মাণত কিমান টকা খৰচ হল আৰু কিমান টকা ভাৰা ইত্যাদিত পোৱাৰ হল আৰু লোকচানৰ এটা হিচাব জনাবনে?

(ঘ) অসমৰ এই একমাত্ৰ ফিল্ম ষ্টুডিঅ'টো এটা স্বয়ং সম্পূৰ্ণ ষ্টুডিঅ' হৈছেনে?

(ঙ) যদি হোৱা নাই কেতিয়া হব জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪০৬ । (ক) — ইং ১৯৬৮ চনৰ জানুৱাৰী মাহত স্থাপন কৰা হৈছে । ইয়াৰ পৰিচালনাৰ বাবে ১৯৭৩ চনৰ ১ চেপ্তেম্বৰৰ পৰা চছাইটি গঠন কৰা হৈছে । সভাপতি আৰু বেচৰকাৰী সদস্য সকলৰ কাৰ্য্যকাল তিনি বছৰ ।

(খ) — এতিয়লৈকে ৮ খন অসমীয়া পূৰ্ণ দৈৰ্ঘ্যৰ ছবি ষ্টুডিঅ'ত তৈয়াৰ হৈছে । আৰু ৭০ খন তথ্যচিত্ৰ আৰু কথা ছবিৰ প্ৰযোজকে ষ্টুডিঅ'ৰ সা-সৰঞ্জাম আংশিকভাবে ব্যৱহাৰ কৰি অন্য ঠাইত সম্পূৰ্ণ কৰিছে । ৰি ৰেকডিং আৰু প্ৰিন্টিং মেচিনৰ বাহিৰে সকলো সা-সুবিধা বৰ্ত্তমানে ষ্টুডিঅ'ত আছে আৰু ছবি পৰিচালক সকলক ছবি কৰাৰ বাবে বৰ্ত্তমানে ইয়াত সুবিধাখিনি দিয়া হৈছে ।

| | |
|---|---|
| (গ)—ষ্টুডিঅ' নিৰ্ম্মানত খৰছ — — — | ১৫,১৩,৪০০.০০ |
| সা-সৰঞ্জাম কিনা বাবদ খৰছ — — — | ৮,৭১,৪২০.০০ |
| মুঠ | ২৩,৮৪,৮২০.০০ |

আয় আৰু ব্যয়ৰ এটা হিচাব সদনৰ মেজত দিয়া হল ।

(ঘ)—নাই হোৱা ।

(ঙ)— ৰি-ৰেকডিং আৰু প্ৰিন্টিংৰ বাহিৰে সকলো সুবিধা আছে । ৰি ৰেকডিংৰ যন্ত্ৰপাতি আৰু প্ৰিন্টিং মেচিন আমদানি কৰাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে আৰু অতি সোনকালে স্বয়ং সম্পূৰ্ণ

হৈ উঠিব বুলি আশা কৰা হৈছে।

শ্ৰীকুলবাহাদুৰ চেত্ৰী :-- উপাধ্যক্ষ মহোদয়; মন্ত্ৰী মহোদয়ে কৈছে যে — ১৯৬৮ চনতে প্ৰতিষ্ঠা হোৱা ষ্টোডিঅ'টোত এতিয়ালৈকে ৮ খনহে অসমীয়া ছবি হৈছে। আমি জনামতে আৰু শুনামতে বহু কেইজন পৰিচালকে পাব লগীয়া সুবিধাবোৰ পোৱা নাই বুলি কয়। এই ক্ষেত্ৰত মন্ত্ৰী মহাদয়ে ইমান দীঘলীয়া বছৰৰ ভিতৰত মাত্ৰ ৮ খনহে ছবি হোৱাটো কেনে ধৰণৰ কথা বুলি ভাবে ?

দুই নং কথা হল — বহুতো পৰিচালকে সুবিধা নোপোৱাৰ কাৰণে বেছি ভাগেই কলিকতা, বোম্বে আদি অন্যান্য ষ্টুডিঅ'লৈ যায় - এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কেনে ধৰণৰ ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী সাংস্কৃতিক বিভাগ ) :—আমাৰ ইয়াত যি বিলাক সুবিধা আছে আৰু তাৰ বাহিৰে যিবিলাক সুবিধা নাই বিশেষকৈ প্ৰিণ্টিং আৰু ৰি-ৰেকডিঙৰ সুবিধা নাই - সেই কাৰণে বাহিৰলৈ যাব লগীয়া হয়। কিন্তু চুটিঙৰ কাৰণে যিখিনি ব্যৱস্থা লাগে সেইখিনি ইয়াত আছে। এতিয়ালৈকে যি ৮ খন সম্পূৰ্ণ কৰিছে - তাৰ ভিতৰত বিশ্ব দৰবাৰত প্ৰদৰ্শিত "সন্ধ্যাৰাগ" চিনেমা খনো আছে।

শ্ৰীশান্তি ৰঞ্জনে দাসগুপ্ত - : উপাধ্যক্ষমহোদয়, এনেকুৱা ডাঙৰ আৰু হেভি মেচিন আমাৰ ষ্টুদিঅ'ত কিমান আছে ? আৰু এই মেচিন বিলাক ষ্টুদিঅৰ বাহিৰলৈ নিব পাৰিনে নোৱাৰি ? আৰু যদি এই মেচিনে বিলাক বাহিৰৰ এলেকালৈ নিব নোৱাৰে তেনেহলে এই মেচিন বিলাকৰ দ্বাৰা একো কাম নহয়নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী : —( মন্ত্ৰী ) ফিলিমৰ কাৰণে নানা ৰকমৰ নতুন মেচিন ওলাইছে । আৰু এই সকলোবিলাক মেচিনেই ষ্টুডিঅত থাকে । তাৰে কিছুমান লৰা-চৰা কৰিব নোৱাৰি । ষ্টুডিঅতে থাকে । আৰু কিছুমান 'পটৱেৰস' মেচিন আছে, আৰু ৰেকৰ্ডিঙৰ সময়ত নাগৰা আদি মেচিন ব্যৱহাৰ কৰাৰ ব্যৱস্থা থাকে ।

শ্ৰীঅতুলচন্দ্ৰ গোস্বামী : -- যি জন সঞ্চালক ষ্টুডিঅত আছে তেওঁৰ ফিলিম টেকনজি জ্ঞান আছে নে নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) : — ফিলিম সঞ্চালক জনে ফিলিমৰ বিষয়ে যে নাজাঁনে সেইটো ঠিক নহয় । টেকনিকেল বিভাগত তেওঁ কাম নকৰে । চাউন্দৰ কাৰণে, কেমৰাৰ কাৰণে, আৰু লাইটৰ কাৰণে বেলেগ বেলেগ মানুহ আছে ।

শ্ৰীঅতুলচন্দ্ৰ গোস্বামী : — ১৯৭৮-৭৯ চনত আমাৰ এই ষ্টুডিঅৰ কাৰণে সকলো ফালৰ পৰা ১ লাখ ৫ হাজাৰ ৬১৯ টকা আয় হৈছে। আৰু ৪ লাখ ২৯ হাজাৰ ৫৯৪ টকা খৰচ হৈছে । তাৰ ভিতৰত ১ লাখ ৪০ হেজাৰ টকা ইকুইপমেণ্ট আৰু পাৰচেজৰ কাৰণে খৰচ হৈছে। এই বিলাক পাৰচেজ কৰিবৰ কাৰণে পাৰচেজ বৰ্ড আছিলনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) : — পাৰচেজ বৰ্ড নাছিল, এখন বৰ্ড আছে তাৰ ভিতৰত সভাপতি তাৰণী বৰুৱা কমল নাৰায়ণ চৌধুৰী, সুজিত সিংহ আদি আছে । কমল নাৰায়ণ চৌধুৰীৰ দিপলমা নাই । কিন্তু টেকনিকেল দিশত পৰামৰ্শ দিব পাৰে । সুজিত সিংহ দিপলমা নাই কিন্তু ফিলিম বিষয়ৰ বিশেষজ্ঞ । আব্দুল মজিদ এজন ভাল পৰিচালক ।

আৰু ভবেন দাসে কলিকতা ষ্টুডিঅত ৩০ বছৰ কাম কৰি অভিজ্ঞতা লাভ কৰা মানুহ। আৰু সচিব হ'ল ধৰণী চৌধুৰী আৰু দেৱজিত চলিহা টেকনিকেল ডিৰেক্তৰ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— উপাধ্যক্ষ মহোদয়, ৮৮ হাজাৰৰো অধিক টকাৰ কেইটামান কেমেৰা কিনাহে হৈছে। এই কেইটা বম্বেৰ পৰা এইখিনি পাইছেহি। সেই কেমেৰা কেইটা আনিবলৈ যাওঁতে কিমান টকা ভ্ৰমণ বাণচ ভৰিব লগা হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— (মন্ত্ৰী) দুই বছৰৰ ভিতৰত এইটো হোৱা নাই। এইটো পিচতহে জানিব পৰা যাব। আগৰ কথাবিলাক এতিয়া 'গতস্য শোচনা নাস্তি' বুলি ধৰি লওক।

শ্ৰীচিৰাজুল হওক :— উপাধ্যক্ষ মহোদয়, আমাৰ এই ষ্টুডিঅ'ত যি ৮ খন ফিলিম কৰা হল সেই কেইখন কৰোতে কিমান টকা খৰচ হল। আৰু ৰিৰেকডিং আৰু প্ৰিণ্টিংত কিমান টকা খৰচ হল।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— (মন্ত্ৰী) এইটো কত কিমান খৰচ হৈছে সেই বিষয়ে প্ৰদিউচাৰে চিন্তা কৰিব। আমি তেওঁলোকৰ পৰা ধন পাব লাগে সেইখিনি পাই আছো।

শ্ৰীগোলক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, এই সদনত থিয়েটাৰত অভিজ্ঞতা থকা সদস্য ভালেকেইজন আছে। গতিকে এই সদনত থকা সদস্য সকলক লৈ এখন ফিলিম কৰিলে কাহিলি পাৰাৰ ষ্টুডিঅ'ৰ বিষয়ে জানিব পৰা যাব আৰু আমাৰ ডাইৰেকচন দিব পৰা মানুহ

আমাৰ মাজতেই আঁছে ।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—(মন্ত্ৰী) এইটো স্বীকাৰ কৰিব লাগিব যে, প্ৰজোজক আৰু এক্টৰ একে নহয় । ধৰ্ম্মিন্দ্ৰ আৰু হেমা-মালিনীয়ে এক্টিংহে কৰিব পাৰে ছবি তুলিব নেজানে ।

শ্ৰীএ, এন, আক্ৰাম, হোচেইন :—অসম চৰকাৰে বাহিৰত ছবি দি ২ কোটি টকা পোৱাৰ পিচতো কিয় জ্যোতি চিত্ৰবন ষ্টুডিঅটোৱে ১০ কোটি টকা লোকচান কৰিবলগা হৈছে । কাৰণ ইয়াত শিক্ষামূলক প্ৰতিষ্ঠান এটাৰ এইং আছে । এইটোৱেই বছেৰেকত ৬ জনকৈ ফিলিম টেকনিচিয়ান ওলিয়াব পাৰিব বুলি কোৱা কথাটো সচানে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—( মন্ত্ৰী ) উপাধ্যক্ষ মহোদয়, অসম চৰকাৰৰ পৰিচালক সকলৰ যাতে সুবিধা হয় তাৰ কাৰণে এইটো কৰিছিল ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :—স্যাৱ, অসমীয়া ছবিৰ বাজাৱ শুধু আসামেই সীমাবদ্ধ । ভাৰতবৰ্ষেৰ অন্যান্য ৱাজ্যেৱ অসমীয়া ছবিৱ বাজাৱ সৃষ্টি কৰাৰ জন্য গভৰ্ণমেণ্ট কোনো ব্যৱস্থা হাতে নিবেন কি ?

শ্ৰীলক্ষধ্যৰ চৌধুৰী :—(মন্ত্ৰী) উপাধ্যক্ষ মহোদয়, ছবি যদি ভাল হয় তেনেহলে ইনন্টাৰ নেচনেল মাৰ্কেটত মাৰ্কেট পায় ? বঙালী ছবি বহুত আগবাঢ়িলেও সত্যজিত ৰায়ৰ ছবিয়েহে ইণ্টাৰনেচনেল মাৰ্কেট পাইছে । অৱশ্যে আমাৰ সন্ধ্যাৰাগৰ বিশ্বৰ ছবি প্ৰদৰ্শনীত প্ৰদৰ্শীত হৈছিল ।

বিষয় ঃ নগাওঁ জিলাৰ উদ্যোগ

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

*৪০৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমৰ ভিতৰত নগাওঁ জিলাত যে প্ৰচুৰ পৰিমাণে নাৰিকল পায় এই কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই নাৰিকলক ভিত্তি কৰি কিছুমান উদ্যোগ গঢ়ি তুলিবৰ কাৰণে চৰকাৰে চিন্তা কৰিবনে ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

৪০৭। (ক)— হয়।

(খ)—নাৰিকলৰ ওপৰত ভিত্তি কৰি সম্ভৱনাপূৰ্ণ উদ্যোগ স্থাপন চৰকাৰৰ বিবেচনাধীন আছে।

শ্ৰীমুকুট শৰ্মা : উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে, কি কি উদ্যোগ কৰিবৰ কাৰণে চৰকাৰে বিবেচনা কৰিছে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ :—(মন্ত্ৰী) নাৰিকলৰ ওপৰত বেচিচ কৰি যিবিলাক উদ্যোগ হব পাৰে, যেনে নাৰিকলৰ কৰ্ড, নাৰিকলৰ তেল এইবিলাক কৰিবলৈ চিন্তা কৰা হৈছে আৰু ষ্টেপ লোৱা হৈছে।

শ্ৰীমুকুট শৰ্মা :—আমাৰ প্ৰজেক্ট ৰিৰ্পোট তৈয়াৰ কৰা হৈছেনেকি ? আৰু কিমান দিনৰ ভিতৰত এই উদ্যোগ বিলাক গঢ়ি উঠিব ?

শ্ৰীজগন্নাথ সিংহ :—(মন্ত্ৰী) দি, আই, চি চেটাৰ হোৱাৰ পিচত

আৰু এটা চাৰ্ভে কৰা হৈছে। আৰু এই আঁচনিৰ কাৰণে যিবিলাক মেচিনাৰি সেইবিলাক কত পাব তাৰ কাৰণে চিন্তা কৰা হৈছে আৰু আঁচনি প্ৰস্তুত কৰা হৈছে। ইয়াৰোপৰি হাজৰিকা আৰু মন্দল নামৰ দুজনক কেৰেলালৈ গৈ এই বিলাক বিষয়ে অৰ্হতা লাভ কৰিবলৈ দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা :— উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত কেচামাল যথেষ্ট আছে। আজি এই প্ৰশ্নটো নাৰিকলৰ ওপৰত উদ্যোগ স্থাপনৰ কৰিবৰ কাৰণেই অনা হৈছে। কিন্তু চৰকাৰৰ তৰফৰ পৰা এই কথা কোৱা হৈছে যে, এইটো প্ৰচাৰধীন হৈ আছে মই স্পষ্টভাৱে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, নাৰিকলৰ পৰা যিবিলাক সামগ্ৰী উৎপাদন কৰিব পৰা যায় তেনেকুৱা সামগ্ৰী উৎপাদন কৰিবৰ কাৰণে কাৰখানা বা শিল্প স্থাপন কৰিব লাগে। কিন্তু কিমান টকাৰ ভিতৰত কৰিব পৰা যায়, আৰু কি কি ভাবে কৰিব পৰা যায়, নগাওঁ জিলাত কৰিবলৈ আৰু কত কত কৰিবলৈ লৈছে সেই বিষয়ে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ :— (মন্ত্ৰী) নাৰিকলৰ ওপৰত বেচিচ কৰি ইন্দাষ্ট্ৰি কৰিবলৈ লোৱা হৈছে। ক্ষুদ্ৰ উদ্যোগ হলেও ৫ লাখ টকাৰ তলত নহয়। ইয়াৰ বাবে মেচিউৰ নাৰিকলৰ দৰকাৰ হব। আজি আমাৰ ইয়াত ১৬'৫ শতকৰা নাৰিকল দাব হিচাবে ব্যৱহাৰ হয়। এই দাব বিলাক অয়েল ইন্দাষ্ট্ৰীৰ বাৰে উপযোগী নহয়। এই উদ্যোগ আমি নগাওঁ আৰু নলবাৰীত কৰাত ব্যৱস্থা কৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :– নলবাৰী আৰু নগাওঁত নাৰিকলৰ ভিত্তিত উদ্যোগ গঢ়িবলৈ চেষ্টা কৰিছে। এতিয়া চৰকাৰে নলবাৰীৰ কোন ঠাইত আৰু নগাওঁৰ কোন ঠাইৰ এই উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ ব্যৱস্থা কৰিছে তাৰ ইঙ্গিত চৰকাৰে দিব নে ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ মন্ত্ৰী) :— ঠাই এতিয়াও ফাইনেলাইজ হোৱা নাই কিন্তু ফাইনেলাইজ হোৱাৰ আগতে ফিজিবিলিটি চাব লাগিব তাত ওৱাটাৰ কানেকচন, ইলেকট্ৰিচিটি, ট্ৰেনস্পোৰটেচন ইত্যাদিৰ দৰ্কাৰ হব, লগতে ৰ মেটেৰিয়েলচৰ কথাও চাব লাগিব, জখলাবন্ধাত যদি নাৰিকল উতপাদন বেছি হয় সেই কথাও চিন্তা কৰিব লাগিব ।

শ্ৰীদেবানন্দ বৰা :— এই উদ্যোগৰ পৰা নাৰিকল তেল উতপাদন হোৱাৰো সম্ভাৱনা আছে নেকি ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— ওলোৱাৰ সম্ভাবনা আছে আৰু আঁচনিও আছে ।

শ্ৰীঅতুল গোস্বামী :— চাৰ, ৰাম নহৌওতে বাল্মিকীয়ে ৰামায়ণ ৰচনা কৰিছিল । আমাৰো নলবাৰী আৰু নগাওঁত উদ্যোগ কৰিব কিন্তু তাৰ কোন-ঠাইত হব সেই ঠাইৰ নামেই নাই। বাল্মিকীৰদৰে যদি কৰিব খুজিছে বেলেগ কথা কিন্তু সেই ঠাইবিলাকৰ দাতা কলেক্ট কৰিছে নে নাই ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— দাতা কলেক্ট কৰা হৈ আছে কিন্তু চাইট এতিয়াও ফাইনেলাইজ হোৱা কৰা নাই as soon as our two boys তেওঁলোক ঘূৰি অহাৰ পিচত ঠিক কৰা হব ।

শ্ৰীনগেন বৰুৱা :— চাৰ এই উদ্যোগ এ, আই, দি, চি য়ে কৰিব নে সমবায় ভিত্তিত কৰিব নে কোন খণ্ডত কৰিব বিচাৰিছে মন্ত্ৰী মহোদয়ে জনাব নে ? আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে চাইট ঠিকেই হোৱা, মন্ত্ৰী মহোদয়ে কৈছে যে দুজন পঠিওৱা হৈছে ? কিন্তু মই নিৰ্দ্দিষ্টভাৱে জানিব বিচাৰিছো কোন খণ্ডত

এই উদ্যোগ হব সেই সম্পৰ্কে ইতিমধ্যে যথাযথ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে নাই ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ মন্ত্ৰী) :— মই জবাব দিছোৱেই শ্ৰীমণ্ডল আৰু শ্ৰীচৌধুৰী have already left with District Industries Centres' approval for S. S. I. Kerala. Placing of orders for machinery and equipments, have already been made.

শ্ৰী মুকুট শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যি ঠাইতে উাদ্যাগ গঢ়ি নুঠক নলবাৰী নগাওঁ য'ত ৰ মেটেৰিয়েলচ বেছি হয় তাতেই উদ্যোগ হব কিন্তু ৰ মেটেৰিয়েলচ ক'ত কিমান বেছি হব সেই হিচাব চৰকাৰৰ হাতত আছে নে ?

শ্ৰীজগন্নাথ সিংহ ( মন্ত্ৰী ):— নগাওঁত ১ হাজাৰ ৭৯ হেক্টৰ হয় ১৯৭৫-৭৬ চনত Plantation ১৯৭৫-৭৬ চনত total production ৩ লাখ ২৫ হাজাৰ। চৰকাৰক মিনিমাম লাগে ৪ লাখ নাৰিকল লাগে atomatically that target will exceed.

Shri Ranendra Narayan Basumatari :—Sir, I want to know from the Hon'ble Minister whether the Govt. has worked out the employment potentialati in a Coconut Industry? By employment potenatils I mean, Sir, how many coconut planters would be embraced or would be benefited?

Shri Jagannath Sinha, (Ministar) :—Almost all the

planters will be benefited by this industry.

Shri Ranendra Narayan Basumatari :— Sir, the answer of the Hon'ble Minister is not to the point. I wanted to know the employment potential in the industry itself?

Shri Jagannath Sinha, ( Ministar ) : — That is a large scale economic development.

মঃ চামচুল হুদাঃ— নাৰি কলৰ ওপৰত কাৰখানা গঢ়ি উঠিব বুলি বিধান সভাৰ মজিয়াত মন্ত্ৰী মহোদয়ে কলে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা অপ্ৰিতীকৰ কথা জানিব বিছাৰিছো। বহুত আচনিয়ে কোৱাৰ পাচতো পি আই বিয়ে এপ্ৰোভ নকৰে বৰং নাকচে কৰে। এই আচনি পি আই বিয়ে প্ৰাইৰ এপ্ৰোভেল দিছে নে মন্ত্ৰী মহোদয়ে জনাব নে?

Shri Jagannath Sinha (Minister) :—According to the present system ২৫ লাখৰ বেছি হব লাগে Question of giving to P. I. B. does not arise

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত :— এই উদ্যোগ ৫ লাখ টকা খৰছ কৰি গঢ়িব খুজিছে কিন্তু এই উদ্যোগত কিমান সংখ্যক নিবনুৱা যুবকে চাকৰি পায় মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :—এতিয়াই কোৱা টান হব Just in course of time.

Mr. Depyt Speaker :— Nexth question

## RE : EVICTION OF 12 FAMILIES OF NOWGONG KOLONGPAR

Shri Biresh Misra asked :—

*408 Will the Minister Revenue be pleased to state—

(a) Whether it is a fact that the Deputy Commissioner, Nowgong ordered the eviction of 12 families of Nowgong Kolongapar within Nowgong Municipal area on 3rd November 1978.

b) Whether it Is also a fact that the Deputy Commissioner, Nowgong when approached by the above families for staying the eviction order, refused to stay eviction on the ground that the above famelies were foreign nationals ?

c) whether it is a fact that of the above 12 famllies Shri Joy Singh Ero was a Karbi Tribal and 2 other families belong to Assamese schedule caste and the rest were also Indian Nationals ?

d) If so, whether the Government will consider to rehabilitate them as they are all landleis people ?

Shri Laksheswar Gohain (Minister, Revenue) replied :

408 ( ক ] — হয় । —১০ টা পৰিয়াল

খ) — এইটো সত্য নহয়,

(গ) – জনজাতীয় সম্প্ৰদায়ৰ শ্ৰীজয় চিংকৌৰ প্ৰমূখ্যে সকলো বেদখলকীয়েই ভাৰতীয় নাগৰিক ।

(ঘ) — এনে ধৰণৰ চহৰৰ মাটিৰ বাবে থকা অন্যান্য প্ৰাৰ্থীৰ লগতে দৰ্খাস্ত থাকিলে এওঁলোকৰ বিষয়ে বিবেচনা কৰা হব পাৰে ।

শ্ৰী বাৰেশ মিশ্ৰ :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় জানেন কিম্ন যে জায়গা থাকে এই জমিহান নিস্ব লোকদের উত্খাত্ করা হয়েছে সেখানে নওগা ডিষ্ট্ৰিক্ট বারের একজন উকিলেরও তার পরিয়ালের অনেক মাটি রয়েছে । কিন্তু তার উপর এভিক্শনের কোন একশন্ নেওয়া হয়নি । যদি এই কথা সত্য হয় তাহলে তার উপরে কোন একশন্ নেওয়া হবে কিনা — আমি মন্ত্ৰী মহোদয়ের কাছ থেকে তা জানতে চাই ।

শ্ৰী লক্ষ্যেশ্বৰ গোহাই ( ৰাজহ মন্ত্ৰী ) : – উপাধ্যক্ষ মহোদয়, দখলকাৰীৰ সংখ্যা ১৬ জন আছিল তাৰে ৬ জনে ৰাজহ বোৰ্ডত উচ্ছেদ স্থগিত আছিল কিন্তু ১২-২-৭৯ তাৰিখে সেই উচ্ছেদ মুকলি কৰি দিয়াত সি-দিনাই ৫ জনক উচ্ছেদ কৰা হয় তাৰ ভিতৰত এজন উকিলৰ নাম শ্ৰী তৰুণ বৰুৱাও আছে ।

শ্ৰীবাৰেশ মিশ্ৰ :— উপাধ্যক্ষ মহোদয়, যে লোকদের উচ্ছেদ করা

হয়েছে তাদেরে নওগা শহরের আসে পাশে কোন জায়গা থাকলে দেওয়া হবে কিনা - তার জবাব মন্ত্রী মহোদয় দিবেন কি?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :- মই (ঘ) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰিছো।

মঃ চামচুল হুদা :- এই কথা সচা নেকি বা জানে নেকি যে উচ্ছেদিত লোক সকলৰ ভিতৰত ১২ টা পৰিয়াল ধুবি, ৰিক্সা চালক ইত্যাদি আছিল যি এতিয়াও ফুটপাথতো আশ্ৰয় লব পৰা নাই। আৰু সেই ধুবি কেইজনে চিপাহী, এচ দিত্ত আদিৰ কাপোৰ এতিয়া ধুই দিব পৰা নাই আনহাতে তেওঁলোকে কেও কাপোৰ ঘুৰাই নলয় ফলত এটা বেমেজালিৰ সৃষ্টি হৈছে। আৰু তেওঁলোকে প্ৰায় ১০-১২ খন দৰ্খাস্ত মন্ত্ৰীৰ ওচৰত দিছে কিন্তু আজিলৈ তাৰ তদন্তই হোৱা নাই, মংল অফিচতে পৰি আছে?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :—যি ঠাইখিনিত উচ্ছেদ কৰা হৈছে তাত ৬ বিঘা ৭ লোছা মাটি আছে আৰু তাত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ বাসভবনৰ কাৰণে আচুতীয়াকৈ ৰখা হৈছে তাত মাটি দিব পৰা নহব। তেওঁলোকে আবেদন কৰিলে অন্য ঠাইত বিবেচনা কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—যি জন উকিল তৰুণ বৰুৱা তেওঁৰ ভায়েকো লগত থাকে তেওঁ নাম কিন্তু বৈষ্ণব লিখে; তেওঁলোকৰ তাত পকা ঘৰ আছে। উচ্ছেদ কৰাৰ পাছদিনাই তেওঁলোক আকৌ সেই ঘৰতে সোমাই আছে সেই খবৰ মন্ত্ৰী মহোদয়ে পায় নে?

শ্রীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) :—শ্ৰী তৰুণ বৰুৱা উকিল, তেওঁৰ ভায়েক তিনিজন, পাচত যদি সোমাই আছে সেই খবৰ আমাৰ দৃষ্টিগোচৰ হোৱা নাই আমি আকৌ ব্যৱস্থা লম ।

শ্ৰীফনী মেধি :— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে যে জনতা চৰকাৰ ক্ষমতালৈ অহাৰ পিচত আমি প্ৰতিশ্ৰুতি পাইছিলো যে খেতিৰ পৰাই হওক বা চহৰৰ পৰাই হওক সকলো ধৰণৰ উচ্ছেদ বন্ধ কৰা হব । কিন্তু এতিয়া চহৰৰ পৰাই বা খেতিৰ পৰাই হওক যিসকল মানুহক উচ্ছেদ কৰা হব সেই সকলৰ বিকল্প ব্যৱস্থা দিয়াৰ কথা চৰকাৰে কব পাৰেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( মন্ত্ৰী ) :—এইটো হল চহৰৰ মাটিৰ কথা । ইয়াত বেলেগে প্ৰশ্ন নুঠে ।

শ্ৰী ছামচুল হুদা :—মন্ত্ৰী মহোদয়ে নিজে ১০-১২ খন প্ৰতিবেদন বিচাৰিছে । পুতুল বেগমকে আদি কৰি কেবাটাও পৰিয়ালৰ ৰিপোৰ্ট মণ্ডল অফিচে আটকাই ৰাখিছে । সেই ৰিপাৰ্টবোৰ মণ্ডল-কাননগুৰ পৰা মন্ত্ৰী মহোদয়ে দিয়াৰ ব্যাৱস্থা কৰিব নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( মন্ত্ৰী ) —সেইটো বিবেচনা কৰা হব ।

শ্ৰী ইব্ৰাহীম আলি:— মন্ত্ৰী মহোদয়ে এই কথাটো জনাব নে যিখিনি মানুহক উচ্ছেদ কৰা হৈছে আৰু আচলতে যিখিনি মানুহ আশ্ৰয় পোৱাৰ যোগ্য সেই মানুহখিনিক কিমান দিনৰ ভিতৰত আশ্ৰয় দিব পাৰিব ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— ( মন্ত্ৰী )— তেওঁলোকে আবেদন কৰিলে

আৰু তেনে ধৰণৰ মাটি থাকিলে বিবেচনা কৰা হব ।

শ্ৰীৰনেন্দ্ৰ ৰস্থমতাৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকে মাটি পাবৰ কাৰণে যদি বেলেগে আবেদন কৰে তেনেহলে বিবেচনা কৰা হব কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে এইটো কথা সচা নেকি নগৰ বা চহৰ অঞ্চলত যিবিলাক খালি ঠাই পৰি আছে সেইবিলাকত ব্যক্তিগত পট্টা দিয়া নহব, ই নিৰ্দ্দেশ অলপতে গৈছে নেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( মন্ত্ৰী ) :— নগাও চহৰলৈ তেনেকুৱা আদেশ যোৱা নাই ।

শ্ৰীনিশীথ ৰঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, ভারতীয় নাগরিকদের বহিস্কারের নামে অত্যাচার করা হচ্ছে বলে মাননীয় সদস্যরা এই সদনে অভিযোগ করেছেন । আমি মাননীয় মন্ত্ৰী মহোদয়ৰ কাছ থেকে জানতে চাই যে এই সদনের মাননীয় সদস্যদের নিয়ে একটা কমিটী গঠন করা হবে কিনা — যাতে এর প্রকৃত সত্য সহজেই উত্‌ঘাটিত হতে পারে ।

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( মন্ত্ৰী ) -- এই প্ৰশ্নটোৰ লগত সেইটোৰ সঙ্গতি নাই ।

শ্ৰী চিৰাজুল হক :— মই জনাত ১৬ জন বেদখলকৰী আছিল । কিন্তু সেই ১৬ জনৰ ভিতৰত ৬ জনক ষ্টেঅৰ্ডাৰ দিলে আৰু বাকী ১০ জনক কেনেকৈ উচ্ছেদ কৰিলে জানানে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ): —সেইকেইজন মানুহে ৰেভিনিউ বোৰ্ডত আপিল কৰাৰ কাৰণে তেওঁলোকক ষ্টে অৰ্ডাৰ কৰা বুলি কৈছে।

শ্ৰীচিৰাজুল হক :—১৬ জন মানুহক উচ্ছেদ কৰিবলৈ লৈ তাৰে ৬ জনক কেনেকৈ ষ্টে অৰ্ডাৰ দিলে মই সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—যাৰ নামত চেকটো কৰে তেওঁহে ষ্টে অৰ্ডাৰ পাব, বাকীবিলাকে নাপায়। অৰ্থাৎ তেওঁহে বেনিফিট পাব।

Shri Fakrul Islam: May I know from the hon'ble Minister whether he does not think it the moral duty of the Govt. to rehabilitate those persns who are evicted by the state?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আগতে সদনত কৈছিল যে যিবিলাক মাটি ৰিজাৰ্ভ কৰি ৰখা হয় সেই আটাই বিলাক চৰকাৰে মাটি পট্টণ দিব নোৱাৰে। সেই মাটি বিলাকত উচ্ছেদ কৰিবই লাগিব। যিখিনি মাটি ৰখা হৈছে সেই মাটিখিনি পাব্লিক পাৰ্পাচত ৰখা হৈছে। যদি বিকল্প মাটি থাকে তেনেহলে তেখেত সকলে দৰখাস্ত কৰিলে বিবেচনা কৰা হব।

বিষয় ঃ কৃষি আধুনীকৰণ আৰু সম্প্ৰসাৰণৰ আঁচনি

শ্ৰীনগেন বৰুৱাই সুধিছে :—

*৪০৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কৃষি আধুনীকৰণ আৰু সম্প্ৰসাৰণৰ অৰ্থে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) যদি তেনে আঁচনি গ্ৰহন কৰিছে তেতিয়া হলে ইয়াৰ কাৰ্য্যকৰী কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) কৰ্ম সংস্থাপন আৰু উৎপাদন বৃদ্ধিত এই আঁচনিত কিমানখিনি সুযোগ আছে ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪০৯। (ক) – কৃষি আধুনীকৰণ আৰু সম্প্ৰসাৰণৰ অৰ্থে লোৱা আঁচনিৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে ।

(খ)— আঁচনি কেইখনক কাৰ্য্যকৰী ৰূপায়ণাৰ্থে উক্ত তালিকাতে দিয়া হৈছে ।

(গ)— প্ৰত্যেকখন আঁচনিৰে আচুতীয়াকৈ কিমান উৎপাদন বৃদ্ধি হব তাক কোৱা টান । উৎপাদনৰ ক্ষেত্ৰত প্ৰায় সকলোবোৰ আঁচনিৰে সমূহীয়া বৰঙণিহে আছে । ১৯৭৯-৮০ চনত উৎপাদন বৃদ্ধিৰ লক্ষ্য ২৭ লাখ টন খাদ্য শষ্য ধৰা হৈছে আৰু এই বছৰত সাম্ভাব্য উৎপাদন প্ৰায় ২৪.৫০ লাখ টন হব ।

এই আঁচনি সমূহৰ যোগেদি নতুন কৰ্ম সংস্থানত প্ৰায় ৭৫০ কৰ্মচাৰী নিয়োজিত হব বুলি অনুমান কৰা হয় ।

শ্রীনগেন বৰুৱা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কৃষি আধুনীকৰণ বুলিলে কৃষি বিভাগে কি বুজে ? সেই দিশত কি কি আঁচনি লৈছে ?

শ্রীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— মই 'ক'ৰ প্ৰশ্নোত্তৰত কৈছোৱেই আঁচনি খন সদনৰ মেজত ৰখা হৈছে ।

শ্ৰীঅতুল গোস্বামী :— কৃষি আধুনীকৰণত এগ্ৰো-ইণ্ডাষ্ট্ৰি আৰু চিদ কৰপৰেচনৰ যথেষ্ট দায়িত্ব আছে । মন্ত্ৰী মহোদয়ে এইটো কথা জানেনেকি যে এগ্ৰো-ইণ্ডাষ্ট্ৰি আৰু চিদ-কৰপৰেচনৰ জৰিয়তে অসমৰ খেতিয়কৰ নামত এলট কৰা বহু ট্ৰেক্টৰ পঞ্জাব আৰু হাৰিয়ানালৈ গুচি গৈছে ? কাৰ কাৰ নামত এলট কৰা ট্ৰেক্টৰ পঞ্জাব আৰু হাৰিয়ানালৈ গুচি গল, বিতং খবৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :— তেনেকুৱা সঠিক খবৰ সকলো নাই । এই বিষয়টো উত্থাপিত হৈছে যেতিয়া খবৰ লৈ জনাব পৰা হব । চৰকাৰী বা বিভাগীয় ট্ৰেক্টৰৰ হিচাব হয়তো পোৱা হব । বাজৰুৱা মানুহৰ কোনোবাই কিনি লৈছে যদি সেই বিলাকৰ ঠিক হিচাব পোৱা নহব । এতিয়া নতুন বিশ খন ট্ৰেক্টৰ কিনিবলৈ ব্যৱস্থা লৈছো ।

শ্ৰীআলটাফ হুচেইন মজুমদাৰ :— মন্ত্ৰী মহোদয়ে কৈছে যে আঁচনি লৈছে আৰু আচনিৰ লিষ্ট সদনৰ মেজত থৈ দিছে । দুই এখন মুখ্য আঁচনিৰ নাম কওকচোন ? ইয়াৰ লক্ষ্য কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) : লক্ষ্য কি সিদিনা বাজেট বক্তৃতাত কৈছিলো ।

১৯৭৯ চনত চাউলৰ উৎপাদন লক্ষ্য ২৫ লাখ টন লোৱা হৈছে আৰু যোৱা বছৰ ইয়াৰ লক্ষ্য আছিল ২৩,০১ লাখ টন। সেই হিচাবে ঘেঁহুৰ যোৱা বছৰৰ আছিল ৮৫ হাজাৰ টন আৰু এই বাৰ ১,২৫ লাখ টন। ডাইলৰ এইবাৰ ৫৫ হাজাৰ টন লোৱা হৈছে। কৃষি বঢ়োৱা আঁচনি হব। সৰিয়হ যোৱা বছৰ ৮৩ হাজাৰ টন এইবাৰ ১,০৫ লাখ টন, মৰাপাটৰ যোৱা বছৰ ৯,৫০ লাখ টন গাথ আছিল এইবাৰ ১১ লাখ গাথ উৎপাদন কৰিবলৈ লোৱা হৈছে। ঠিক তেনেকৈ কৃষি সম্প্ৰসাৰণ আঁচনিত নিয়োগৰ ক্ষেত্ৰত নতুনকৈ গাওঁ। সম্প্ৰসাৰণ কৰ্ম্মী ছয়শ জন নিয়োগ কৰিব পৰা আঁচনি লৈছো। কৃষি সম্প্ৰসাৰণ বিষয়া ৫০ জন নিয়োগ কৰা হব। অন্যান্য এশ জন নিয়োগ কৰিব পৰা হব। সদনৰ মাননীয় সদস্য সকলে অনুমতি দিলে নতুনকৈ এটা বিষয় সৃষ্টি কৰিবলৈ লৈছো—সেইটো হৈছে বাৰী সংগঠক হিচাবে বাৰী পতা সংগঠক প্ৰত্যেক পঞ্চায়তত দিব বিচাৰিছো একোজনকৈ।

শ্ৰীনগেন বৰুৱা :—কৃষি অধুনীকৰণ বুলিলে যান্ত্ৰিক প্ৰয়োগ, জলসিঞ্চন, সাৰৰ প্ৰয়োগ আৰু খেতি সংগঠণ আদি বুজায়। এই ক্ষেত্ৰত অসম সমবায় চেনি কলত চাৰি হাজাৰ কুঁহিয়াৰ খেতিয়ক আছে। এই খেতিয়ক সকলক সহায় কৰিবৰ কাৰণে কৃষি বিভাগৰ ফালৰ পৰা বা এগ্ৰো-ইণ্ডাষ্ট্ৰী চেণ্টাৰৰ লগত সমবায় চেনিকল কৰ্তৃপক্ষৰ যোগাযোগ হৈছিল নেকি ? যদি হৈছিল এগ্ৰো-ইণ্ডাষ্ট্ৰি বিভাগে এই খেতিয়ক সকলক কিবা সহায় কৰিছেনেকি ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :—খেতিয়ক সকলক উন্নত সঁচৰ আগ আদি দিয়া নিয়ম আছে। চেনিকলৰ লগত জৰিত কুঁহিয়াৰ খেতিয়ক সকলক ঋণ আদি দিবলৈ চেনিকলৰ কলৰ দ্বাৰা দিবলৈ ব্যৱস্থা কৰা হৈছে। চেনিকলে সেই সকলক ঋণ দিয়ে আৰু যি খিনি সম্প্ৰসাৰণ সেৱা আঁচনি

লোৱা হৈছে এই ক্ষেত্ৰত নতুন বেনৰ প্লেন আঁচনি লৈছো। সেই আঁচনি খন আধুনীকৰণ ভিত্তিত লোৱা হৈছে। পানী আদিৰ আৱশ্যক সেই কথাই মুই কৰিব নোৱাৰো। পানী বিভাগে পানী দিব পাৰিব আমি দিব নোৱাৰিম। সেই হিচাবে বিজুলী বাতি বিজুলী বিভাগে দিব পাৰিব আমি নোৱাৰিম। ভূমি অথবা মাটি পৰীক্ষা কৰি, পোক-পৰুৱা মৰাত এই বিভাগে মন দিয়ে আৰু তেনে ধৰণৰ ব্যৱস্থা কৰে। কৃষি যন্ত্ৰ-পাতি, নতুন ট্ৰেক্টৰ আদি কিনাৰ ব্যৱস্থা কৰা হৈছে আৰু এপ্ৰিলৰ ভিতৰত আহি পাব। পোক-পৰুৱাৰ ঔষধ, যন্ত্ৰ-পাতি এই বিলাকৰ আগতে ব্যৱস্থা কৰা হৈছে। সিদিনা কৈছিলো যে কৃষি শিতানত প্ৰশিক্ষণ দিবলৈ আঁচনি কৰা হৈছে। তদুপৰি ভূমি সেনাকে আৰম্ভ কৰি সেই খিনি কথা কৈছো আৰু আচলতে কৃষিৰ প্ৰতি মানুহৰ যাতে ধাউতি আহে তাৰ ব্যৱস্থা কৰিবলৈ যাওঁতে এই বছৰ নতুন ব্যৱস্থা লৈছো। শিক্ষিত যুৱক সকলৰ মাজত কৃষি সম্পৰ্কত ৰচনা, কবিতা আৰু নাটক লিখাৰ প্ৰতিদন্দিতা মূলক ব্যৱস্থা লোৱা হৈছে। তেওঁলোকক আহ্বান জনোৱা হৈছে। মানুহৰ হেপাহ নজন্মিলে নহব। এজন মানুহে যেতিয়া খৰি এভাৰ লৈ বেচিবলৈ যেতিয়া বজাৰলৈ যায় তেতিয়া তেওঁক মতা হয় ঐ খৰি। ঠিক তেনেকৈ চাউল নিয়া জনক চাউল বুলি মতা হয়। এই ধৰণে মাতি খেতিয়কক ইমান অসন্মান কৰা হৈছে। খৰি, ধান-চাউল বুলি মতা নাম বিলাক পৰিবৰ্ত্তন কৰাৰ আৱশ্যক নিশ্চয় হৈছে। যেতিয়ালৈকে জনাবুজা সকল খেতিৰ প্ৰতি আগ্ৰহী নহয়, খেতি কৰিব নোৱাৰে। মানুহ বিলাকক যাতে আগ্ৰহী কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিম আহমেদ:—উপাধ্যক্ষ মহোদয়, কৃষি আধুনীকিকৰণ কৰাৰ

অৰ্থটো কি ? এইটোৰ নাম যান্ত্ৰীকিকৰণ যদি কৰা হয় তেতিয়াহলে কি কি যন্ত্ৰ চৰকাৰে কিনিব বুলি ঠিক কৰিছে আৰু কোন কোন কোম্পানীৰ পৰা কিনিব তাৰ দুই এটা দৃষ্টান্ত মন্ত্ৰী মহোদয়ে, দিব নে ? বেনৰ পৰিকল্পনামতে এই যন্ত্ৰবিলাক কেনেকুৱা হব ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী ):—বেনৰ প্লেনত কোনো বেলেকু যন্ত্ৰৰ কথা নাই, এই প্লেনৰ দ্বাৰা যাতে মানুহে কামত লাগি থাকিব পাৰে তাৰ হে ব্যৱস্থা আছে । এই যন্ত্ৰবিলাক কোন কোন কোম্পানীৰ পৰা কিনা হব নাম দিব নোৱাৰিম ।

শ্ৰীপ্ৰেম বৰা : উপাধ্যক্ষ মহোদয়ে, কৃষি আধুনীকিকৰণ আৰু সম্প্ৰসাৰণৰ যোগেদি ৭৫০ জন লোকৰ কৰ্ম সংস্থান হব বুলি মন্ত্ৰী মহোদয়ে কৈছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোঁনে কি যে এই কৰ্ম সংস্থাপন কেনে ধৰণেৰে কৰা হব ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয় মই কৈয়েই গলো যে গাওঁ সম্প্ৰসাৰণ কৰ্মী এতিয়ালৈকে আমাৰ গোৱালপাৰা, কামৰূপ, নগাওঁ এই তিনিখন জিলাত আছে । বেনৰ প্লেনৰে এই তিনিখন জিলা সামৰি লোৱা হৈছে । বাকী জিলা কেইখন এই বছৰ সামৰি লোৱা হৈছে । এতিয়া লৈকে প্ৰায় ৩০০ জন নিয়োগ হৈছে আৰু বাকী ৩৯০ জনৰ প্ৰশিক্ষণ চলি আছে, সেই সকল গ্ৰামসেৱক বা গাওঁ কৃষি সম্প্ৰসাৰণ কৰ্মী ৫০ জন হব । এই সকলৰ বোধকৰোঁ বেলেগ ব্যাখ্যা দিব নালাগিব ।

শ্ৰীমুকুট শৰ্মা :—উপাধ্যক্ষ মহোদয়, যোৱা বছৰ মন্ত্ৰী মহোদয়ে কৈছিল যে কিছুমান চাহ বাগিচা খোলা হব আৰু আহ্বান জনাইছিল যে সকলো মানুহ সৰু সৰুকৈ নিজৰ বাৰিতেই চাহ গছ পুলি

ৰুব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই খেতি কৰা ব্যৱস্থাটো এতিয়া বাতিল কৰা হৈছে নে কি ?

শ্ৰীসোণেশ্বৰ বৰা – (মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়ে, বাতিল কৰা হোৱা নাই; ইতিমধ্যে কিছুমান মানুহে সৰু সৰু চাহ খেতিৰ বাগিচা পাতিছে আৰু ১২ জন মানে বেংকৰ পৰা ঋণ লোৱাৰ ব্যৱস্থা কৰিছে। বহুতো চাহ গছৰ পুলি ৰোৱাৰ চেষ্টা কৰা হৈছে। এই আচঁনি বাতিল কৰা হোৱা নাই, বৰঞ্চ কাৰ্য্যকৰী কৰিবৰ কাৰণেহে বিহিত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীনজমূল হক :– উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে কি যে কৃষি আধুনীকিকৰণৰ যি ব্যাপক পৰিমাণৰ আচঁনি লোৱা হৈছে সেই আচনি বিজুলি শক্তি কাৰ্য্যকৰী নহলে ধ্বংশ হৈ যাব এই কথা জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়; বিজুলি শক্তি নোহোৱা কয়ে আগৰ দিনত মানুহে খেতি কৰি সুখেৰে খাই ৰৈ আছিল আৰু শস্য শ্যামলা আই বসুন্ধৰা বুলি কবিতাও লিখিছিল, গতিকে বিজুলি শক্তিয়েই একমাত্ৰ কৃষি উতপাদনৰ আহিলা হব নোৱাৰে।

শ্ৰী মঃ চামছুল হুদা :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে যান্ত্ৰিক পদ্ধতিৰে কৃষি আধুনীকিকৰণ কৰিবলৈ যাওঁতে এগ্ৰ' ইণ্ডাষ্ট্ৰী, এগ্ৰ' ওৱাৰ্কচপ, চিদ কৰপৰেশ্যন আদি বিভাগত যি দুৰ্নীতি চলি আছে সেইবোৰ মুক্ত কৰাৰ ব্যৱস্থা লব নে কি ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) চেষ্টা কৰা হৈছে। নকৰাৰ কোনো প্ৰতিশ্ৰুতি আমাৰ নাই, সদনক আশ্বাস দিছোঁ দূৰ্নীতী মুক্ত কৰাৰ সকলো ব্যৱস্থা লোৱা হব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোঁ নে কি যে কৃষি আধুনীকিকৰণ কৰাৰ সম্পৰ্কত বিজুলী শক্তি আৰু জলসিঞ্চন বিভাগৰ কথাটো তেখেতে নাজানো বুলি কৈছে, এই কথাটো সকলোৱে স্বীকাৰ কৰিছে যে বিজুলী আৰু জলসিঞ্চন নহলে কৃষি আধুনীকিকৰণ নহয়। গতিকে মন্ত্ৰী মহোদয়ে এই তিনিটা বিভাগৰ লগত সমন্বয় সাধন কৰিব বুলি স্বীকাৰ কৰিবনে ?

শ্ৰীসোণেশ্বৰ বৰা ( মন্ত্ৰী ) :— কৃষিৰ লগত বিজুলী বা পানী নালাগে বুলি মই কোৱা নাই, সমন্বয় ঘটাবলৈ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যেই এখন সমন্বয় কমিটি কৰা হৈছেই ।

বিষয় ঃ গ্ৰাম সেৱাৰ প্ৰমোচন

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছ :

*৪১০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) ১৯৭৭ চনত চেপ্তেম্বৰ মাহত কিমান জন গ্ৰাম সেৱকক প্ৰমোচন দি নানা ঠাইত কাম কৰিবলৈ দিয়া হৈছিল ?

(খ) ১৯৭৯ চনতহে সেই লিষ্ট ভূল বুলি ধৰা পৰাটো সচানে ?

শ্ৰীজহিৰুল ইছলাম (পঞ্চায়ত আৰু সমূহীয়া উন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে

উত্তৰ দিছে ঃ

৪১০। (ক)—২৭ জনক ।

(খ)— ২ জনৰ ক্ষেত্রত ভুস বুলি ধৰা পৰাটো সচাঁ ।

শ্রীগোলক ৰাজবংশী ঃ উপাধ্যক্ষ মহোদয়, সেই দুজনক ইমান দিন কাম কৰিবলৈ দি অহাৰ পিচত দুবছৰৰ পিচত যেতিয়া পদোন্নতিৰ পৰা নমাই দিয়া হব তেতিয়া তেওঁলোকৰ যিটো শাৰিৰীক আৰু মানসিক ক্ষতি হব সেই ক্ষতিপূৰণ চৰকাৰে কৰিব নে কি ?

শ্রী জহিৰুল ইচলাম (মন্ত্রী) যদি আবেদন কৰে বিবেচনা কৰা হব ।

শ্রী গিয়াচুদ্দিন আহমেদ ঃ — উপাধ্যক্ষ মহোদয়, এইটো কেনেকুৱা শ্রবণৰ ভুল ?

শ্রীজহিৰুল ইচলাম (মন্ত্রী) ঃ—উপাধ্যক্ষ মহোদয়, ১৯৭৭ চনত ডি চি, ৰ পৰা প্রমোচন ভিত্তিত নিয়োগ কৰা হৈছিল। ১৯৭৯ চনৰ পৰা পঞ্চায়ত ডিৰেক্টৰ অফিচলৈ অহাত এই ভুলটো ধৰা পৰিছিল।

শ্রীগোলক ৰাজবংশী :—উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ভুলটো সম্ভৱ বুলি কৈছে। সম্ভৱৰ ওপৰত এজন মানুহক প্রমোচন দি দুবছৰ কাম কৰাৰ পিচত তললৈ নমাই অনাটো যুক্তিসংগত হৈছে নে ?

শ্রীজহিৰুল ইচলাম ( মন্ত্রী ) ঃ এনেকুৱা ভাৱে ভুলক্রমে প্রমোচন হৈছে কাৰণে সেইটো শুদ্ধ কৰা হৈছে।

শ্রীছামচুল হুদা .—মন্ত্রী মহোদয়ে যিটো ভুল হাৱা বুলি কৈছে

যোৱা ৩২ বছৰে আমি প্ৰমোচনৰ ক্ষেত্ৰত দেখি আহিছো যে সদায় ভূল হয়েই আহিছে। গতিকে এই ভূলৰ ক্ষেত্ৰত আৰু ভৱিষ্যতে যাতে ভূল হব নোৱাৰে তাৰ কাৰণে যি সকল বিষয়াৰ হেমাহী বা অৱহেলাৰ কাৰণে ভূল হৈছে সেই বিষয়া সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হবনে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :—এইটো পৰীক্ষা কৰি চোৱা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মোৰ প্ৰশ্নটোৰ স্পষ্ট উত্তৰ নাপালো। কি ভূল হৈছিল নাজানিলো। মই সুধিব বিচাৰিছো যে লিষ্টখনত যিটো ভূল হৈছে সেই ভূলটো নানা ৰকমে হব পাৰে। কাৰোবাৰ বাপেকৰ নাম ভূল হব পাৰে, প্ৰাৰ্থীৰ নামো ভুল হব পাৰে, বয়সৰ ভূল হব পাৰে, তাত থাকিবলগীয়া নাম নাথাকিব পাৰে। এইধৰণে ভূল হব পাৰে। কিন্তু কি ধৰণৰ ভুল হৈছে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :—যি দুজন প্ৰাৰ্থীৰ ভূলক্ৰমে প্ৰমোচন হৈছিল তেওঁলোকৰ নাম হ'ল শ্ৰীউপেন্দ্ৰ চন্দ্ৰ বৰা আৰু শ্ৰীছফিকুল হক। উপেন্দ্ৰ বৰাৰ যোগাদানৰ তাৰিখ আছিল ২৩-১২-৬৩ আৰু ছফিকুল হকৰ যোগাদানৰ তাৰিখ আছিল ১-৪-৬৩। কিন্তু ভূলক্ৰমে তেওঁলোকৰ নাম জেষ্ঠতাৰ লিষ্টত সোমাই পৰে। উপেদ্ৰ বৰাৰ যোগদানৰ তাৰিখ দেখুৱা হৈছে ১১-১১-৫২ আৰু ছফিকুল হকৰ ১৬-৫-৫৩।

শ্ৰীপ্ৰেমধৰ বৰা :—গ্ৰাম সেৱকৰ প্ৰমোচনৰ ক্ষেত্ৰত যি দুগৰাকীক

ভুলক্রমে প্ৰমোচন দি দুবছৰ কাম কৰাৰ পিচত ধৰা পৰাত তেওঁলো- কক নমাই দিয়া হল। মই সুধিব বিচাৰিছো যে ভুল কৰিলে কোনে? যি কেইজন বিষয়াৰ হেমাহীৰ কাৰণে ভুল হ'ল তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হবনে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— মই শ্ৰীহুদা ভাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে এইটো বিবেচনা কৰা হব।

বিষয় ঃ পাতিদৰং, কৰৰা আৰু মদাৰতলি মৌজাৰ খেতি পথাৰ

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে ঃ

*৪১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবনে—

(ক) শুক্লা জলসিঞ্চন আঁচনিয়ে পাতিদৰং কৰৰা আৰু মদাৰতলি মৌজাৰ খেতি পথাৰ নষ্ট কৰাৰ কথা জানানে ?

(খ) যদি জানে, তাৰ কাৰণ কি ?

(গ) ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীএ, এফ, গোলাম ওছমানি (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছেঃ

৪১১। (ক) —ৰঙ্গিয়া, ৰঙ্গাপাৰা লাইনৰ বহু দক্ষিণে অৱস্থিত উল্লে-

খিত মৌজা কেইটাত শুক্লা জলসিঞ্চন আঁচনিয়ে খেতি পথাৰ নষ্ট কৰা নাই, দৰাচলতে এতিয়ালৈকে এই আঁচনিত নিয়ন্ত্রিত ভাবে এই ৰেল লাইনৰ উত্তৰ পিনে থকা খেতি পথাৰতহে পানী যোগান ধৰা হৈছে ।

(খ আৰু গ)—প্ৰাৰম্ভিক অনুসন্ধানত দেখা গৈছে যে এই অঞ্চলৰ পূবফালে থকা বৰনদীত পথাৰলৈ পানী নিবলৈ তিনি ঠাইত ৰাইজে বান্ধ বান্ধাৰ ফলত নদীত বাঢ়নী পানী আহিলে এই অঞ্চলৰ দ-অঞ্চল-বোৰত পানী জমা হয় । এই পানী ওলোৱাৰ একমাত্র পথ মৰনৈত পলস পৰাত আৰু ঠায়ে ঠায়ে ইয়াৰ বুকত খেতি কৰি আৰু মাছ ধৰিবলৈ বান্ধ দি নদীৰ সোঁত বন্ধ কৰাত বন্ধ হৈ থকা পানী ওলাই যাব নোৱাৰে।

সদ্যহতে বৰনদীত থকা অস্থায়ী বান্ধ কেইটা আতঁৰাই দিলে সমস্যা-টো কিছু পৰিমানে লাঘব হব পাৰে । এই বিষয়ে আৰু বিতং জৰীপৰ ব্যৱস্থা কৰা হৈছে ।

শ্ৰী দৰ্পশক্তি ডেকা :—উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাইছে যে শুক্লা জলসিঞ্চন আঁচনিৰ উক্ত মৌজা কেইখনত খেতি পথাৰ নষ্ট হোৱা নাই । কিন্তু মই জনাত আৰু মন্ত্রী মহোদয়েও জানে তেখেতে পৰিভ্ৰমণ কৰিছে । শুক্লা জলসিঞ্চন আঁচনিৰ পানী নলাৰে নাহি খেতি পথাৰৰ ওপাৰেৰে অধিক পৰিমানে আহে । এই সম্পৰ্কত ই এণ্ড ডি বিভাগত যি চুক্তি আছে এই চুক্তি এতিয়ালৈকে কাৰ্য্যকৰী কৰা হোৱা নাই । আৰু যিবিলাক নলাৰ মেৰামতিৰ কাম চলি আছে সেইবিলাকৰ মেৰা-মতিৰ কামতকৈ অধিক পৰিমানে ব্যয় হৈছে অৰ্থাৎ দুৰ্নীতি কৰিছে । এই সম্পৰ্কত মন্ত্রী মহোদয়ে তদন্ত কৰিবনে ? আৰু মন্ত্ৰীৰ ওচৰলৈ মই আবেদন লৈ যাওঁতে তেখেতে সচিবক নিৰ্দ্দেশ দিছিল যে বিধায়কৰ লগত আলোচনা কৰিব লাগে । গতিকে এই সম্পৰ্কত সচিবে তেখেতৰ লগত ফাইলৰ যোগাযোগ কৰিছে নে ?

Shri A F. Golam Osmani ( Minister, Irrigation ): Mr. Deputy Speaker Sir in reply to Question ( ka ) I have replied that the area referred to is laying to the sourth of Rangia Rangapara Railway line and as por present programme water is given up to that point. Now the question is how that area was flooded ? It appears that in the Barnoi river the villagers have put some bunds. They were also doing it earlier and because of these bunds whenever there is some flooding. it spilts over this area. Complaints were made by the villagers to the department and also by the Hon'ble member Shri Daibasakti Deka and I ordered the department to go into the matter accompanying him and on the first of October departmental officials visited the area along with hon'ble member and assessed the matter. The report they submitted was being considered. In the meantime we asked the department to make an overall hydraological study of the matter whether the area was really flooded because of the construction of the bunds. In the upper portion it might so happen because of some artificial things have been put there. The Department was to give water up to the railway line. Now how far they are responsible for it we had to make a detailed enquiry in to the matter.

শ্ৰীনগেন বৰুৱা:— মন্ত্ৰী মহোদয়ে কৈছে যে বৰনৈত কেইটামান অস্থায়ী বান্ধ দি খেতি পথাৰলৈ পানী নিয়াৰ কাৰণে হয়তো এই বান্ধে খেতি পথাৰ নষ্ট কৰিছে। গতিকে তাত বিজ্ঞান সম্মত ভাবে শ্লুইচ গেটৰ নিচিনা বস্তু দি পানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

Shri A.F. Golam Osmani (Minister, Irrigation ):—Sir, to inform the hon'ble member the position is something like this river Barnoi passing through the eastern part of the said area. The local people had constructed earthen bunds. At three Places of Barnoi river such bunds were constructed for tapping water for irrigation purposes. As the area falls within the command area of Sukla Irriga-Irrigation project. But remedial measares could not be taken without hydraulogical study of the area, which is being followed up Subsequently, Councillor Shri Naren Deka also draw our attention to this metter. Sir, we will make adetailed study of the whole metter during the next year.

শ্ৰীঅতুল গোস্বামী :—শুক্লা জলসিঞ্চন আঁচনিৰ জৰিয়তে যি ঠাইত পানী দিয়া হৈছে তাৰ নলাবোৰত শতকৰা ৩০ ভাগৰ পৰা ৩৫ ভাগলৈ পানী নিগৰি যায় অৰ্থাৎ চিপেজ হৈ আছে। এইটো সচাঁ নে আৰু যদি সচাঁ হয় এইটো বন্ধ কৰাৰ কাৰণে ব্যৱস্থা কৰিব নে।

Shri A.F. Golam Osmani ( Minister, Irrigation ) :— Sir, I can inform the hon'ble member, in the case of

Kacha canal Sippage loss is even to the extent of 30 percent in some cases. It is observed that the adjoining agricultural land also loses its utility and in such case we are re-examining the matter and if necessary to have a lineed canal in this portion.

about the denationalisation of the routes, a survey has been undertaken, as explained during the discussions, Govt. will examine the proposal on getting a full picture on completion of survey.

Other demands are also under active cosideration of the Govt. The Association have recently informed Govt. of some new demands. These are also under examination of the Government. If necessary Govt. may hold further discussions with the representative of the Association for apprising them or the steps taken by the Govt. In view of the above position I would request the All Assam Motors Owners Association not to resort to the strike to put public into unnecessary inconveniences. I hope Hon'ble Members would extend their kind cooperation in this matter.

শ্ৰীমুকুট শৰ্ম্মাঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে তিনি এপ্ৰিলত, দাবিপুৰণ নহলে ধৰ্ম্মঘট কৰাৰ কথা যি সকলে ঘোষণা কৰিছে, সেই সকলৰ লগত তিনি এপ্ৰিলৰ আগতে কিবা মিমাংশা কৰাৰ কাৰণে প্ৰচেষ্টা কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম :—অধ্যক্ষ মহোদয়, এই বিষয়ে প্ৰচেষ্টা কৰা হ'ব আৰু মাননীয় সদস্য সকলৰ পৰা সহযোগীতা আশা কৰা হৈছে ।

শ্ৰীমতী আনোৱাৰা টাইমুৰঃ—মাননীয় অধ্যক্ষ মহোদয়; মই অসম

বিধান সভাৰ প্ৰতিক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মালীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "মঙ্গলদৈত কেৰাচিনৰ নাটনিৰ ৰহস্য" শীৰ্ষক বাতৰিটোলৈ যোগান মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো আৰু লগতে এই বিষয়ে মই জুআবাৰ মান কৰ বিচাৰিছোঁ যে আমাৰ বৰ্ত্তমান মংঙ্গলদৈত কেৰাচিন তেলৰ যি নাটনি হৈছে সেই নাটনি সম্পৰ্কে বাতৰি কাগজত যিটো প্ৰকাশ পাইছে সেই কথা সত্য। যোৱা অক্টোবৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহলৈকে কেৰাচিনৰ যিটো নাটনি দেখা গৈছিল তিনি ফেব্ৰুৱাৰীৰ পিছৰ পৰা তাত পৰ্য্যাপ্ত পৰিমানে কেৰাচিনৰ পোৱা গৈছিল —।

(হুলস্থুল)

* Shri Keshab Chandra Gogoi :— Sir, When the news item Published in the 'Dainik Asom' dated 25-2-79 under the caption "মংঙ্গলদৈত কেৰাচিনৰ নাটনিৰ ৰহস্য" came to the notice of the Govt. the Sub-divisional Officer, Mangaldoi was immediately asked to submit a detailed report to the Govt. Accordingly, the Subdivisional Officer, Mangaldoi submitted his report on 27-2-79. The facts as revealed from the enquiry are as follows :—

The Joint Director of Supply was visiting all most all the places during that time to man an on the spot enquiry and to suggest steps to be taken to streamlins the distribution of salt and Kerosene in consultation

with the local Supply Officers. The Joint Director of Supply visited Mangaldoi and had a discussion on 3-2-79 with the supply officials Mangaldoi Subdvn. and I. O. C. and A. O. C. Marketing officers, of Gauhati and Tezpur and also Dept holders both the Agents of the local Circuit House at 6 p. m. to chalk out ways and means to face the prevailing kerosene scarcity. The Depot holders the Agents produce the data relating to receipts and disposals of kerosene upto January 1979 in the meeting. The mattter relating to supply and distribution of kerosene in Mangaldoi Subdivision was thoroughly discussed in the meeting. The Agents made it clear during the discussion that there was no restriction imposed by the local authority for allocation of Kerosene Oil to their agencies. There were however occasional shortfall of Kerosene oil supply in certain areas of the Subdivision dur to non receipt of wagons in time as well as due to financial inability of some Depot holders to lift their allotted quota. The Joint Director Suppy impressed upon them that it is the primary responsibilsty of the Agents to distribute Kerosene Oil equitably in the whole subdivision. The Joint director of Supply made it clear to them that in case of inability of any Depot holders in lifting their quota the Agents

concerned must make alternative arrangements in no time as the Depot holders are their appointed dealers. He also advised them to fix up quotas to their Agencies taking into consideration three months average sale by the respective Depots during January, February and March, 1978 as base. They were also advised to consult local supply officer as well as Subdivisional Officer and Assistant Director of Supply in respect of any anticipated short fall and to distribute all arrivals proportionately in all the areas.

The Joint Director instructed all the Supply officers to see equtable distribution of K. Oil at fixed price in their respective jurisdiction.

It was not a fact that a high official of Supply Dept. expressed Surpris at the besster position of K. oil at Mangaldai then other places as reported in the news. It is also rot a fact that there was any artificial and malafide searcity of K. oil and salt at Mangaldai Subdivision after the visit of the high official as alleged. The scarcity condition of K. oil was prevailing in the entire State since January, 1979. The scarcity is due to the fact that the supply of K. Oil has not been in acordance with our requirements. In order to streamline the distribution of K. Oil in the entire

State, the following steps have been taken by the Govt. :—

(i) Close liaison was maintained with the N. F. Railways for expeditious movement of tank wagons in transit.

(ii) Arrival and despatch of tank wagons at Lumding which is a normal held up point for wagons for Cachar has been mentioned and immediate actions have been taken to despatch k. oil wagons which arrive Lumding to different destinations.

(iii) Deputy Commissioners and Subdivisional Officers were instructed to :—(a) plan ditsribution of the available kerosene stocks equiably to all the areas from Oil Company depots to retail outlets as well as from retail outlets to the consumers,

(b) taken stern measures against such unscrupulous elements who might indulge in malpracties taking advadage of short supply ;

(c) appoint approvedretaliers for distribution of K. Oil in areas where cooperatives G. P. S. S. have failed to function effectively and;

(d) assess fornightly requirement of each educa-

tional institution and its hostel at the rate of 2 litres a week for each students; to select approved retailers/ fair price shops for each Institution / Hostel and to allot fortnigtly quota equivalent to total requirement as might be required from a nearest Kerosene depot for drawal by students against cupons to be issued to students by the head of the institution.

Rescue supplied by tank lorries were made as and when necessary from Gauhati and Digboi refineries to areas tagged to New-Jalpaiguri Terminal Point.

The fact published in the above news item is therefore baseless.

শ্ৰীমতী আনোৱাৰা টাইমুৰঃ—উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছোঁ যে মঙ্গলদৈ অঞ্চলত কেৰাচিনৰ নাটনিয়ে যি ৰূপ লৈছে সেইটো এটা ভয়বহ কথা। এফালে মানুহৰ খাবলৈ নাই, ইফালে ল'ৰাছোৱালীৰ পৰীক্ষা আৰম্ভ হৈছে আৰু আনফালে চোৰ ডাকাইতৰ উপদ্ৰৱ। মন্ত্ৰী মহোদয়ে কৈছে যে পেপাৰত ওলোৱা কথাটো সচা নহয়। যোৱা অক্টোবৰ মাহৰ পৰা ৩ ফেব্ৰুৱাৰী লৈকে মঙ্গলদৈত এই নাটনি কিন্তু নাছিল। সেই কাৰণে মই কব খুজিছোঁ যে সেয়া কৃত্ৰিম নাটনিহে। কাৰন তাৰ আগলৈকে এচ, দি, অ'ই ভালকৈ চাই আছিল। সেয়ে অক্টোবৰৰ পৰা ৩ ফেব্ৰুৱাৰীলৈকে কেৰাচিৰ নাটনি নাছিল। কিন্তু চৰকাৰৰ সেই চাপ্লাই অফিছাৰ জন গৈ সকলো ঠাইত নাটনি হৈছে, ইয়াত কেনেকৈ দি আছে? এই কথা কোৱাৰ পিচত তাত দাম বাঢ়ি গল। (ভইচ-সদনত একো শুনা নাযায়)।

আগতে ফেয়াৰ প্ৰাইচ চলাৰ জৰিয়তে দিয়া হৈছিল । কালিৰ কাগজত কিন্তু ওলাইছে যে তাত ৪ টকা পৰা ৬ টকালৈকে কেৰাচিনৰ দাম বাঢ়িছে । এই বিষয়ে মন্ত্ৰী মহোদয়ে একোকোৱা নাই, সেয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছোঁ ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈঃ—উপাধ্যক্ষ মহোদয়, বিবৃতি দিওঁতে মই এই সকলোখিনি কথা কৈছোৱেই । আৰু তেখেতে যিটো অভিযোগ আনিছে চাপ্লাই অফিচাৰ জনৰ বিষয়ে, যে তেওঁ যোৱাৰ পিচতহে দাম বাঢ়িল সেইটো কথা সত্য নহয় বুলি কৈছোঁ । আমি সদনত কোৱা কথাবিলাক অসত্য আৰু কাগজত ওলোৱা কথা বিলাককহে সত্য সেইটো ধৰি লোৱাটো উচিত নহব । চৰকাৰৰ ফালৰ পৰা আমি কেৰাচিন তেলৰ বিষয়ত কি ব্যৱস্থা লৈছোঁ কৈছোৱেই আৰু আশা ৰাখিছো ইয়াৰ পিছত কেৰাচিনৰ অভাৱ নিশ্চয় কমিব ।

Mr. Dy. Speaker:—Now the next item Shri Ramendra De.

Shri Ramendra De:—Sir; I beg to raise a matter under Rule 301 of the Rules and Procedures and Conduct of Business in Assam Legisilative Assembly relating to the news-item appearing in the Assam Darpan dated 25 the February. 1979, under the caption "কংগ্রেসী রাজত্বের রিজার্ভ প্রজাদের জমি কর্তন-জনতা আমোলে প্রতিকার চাই" ।

মাননীয় উপাধ্যক্ষ মহোদয়, অনেক সময় কথা বলা হয়ে থাকে যে প্রতিক্রিয়ার সংবাদ সত্য নয় । তার সত্যতা প্রমাণ করতে, আমি একটা তথ্য এনেছি ।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৩৫ ইংৰাজী থেকে আসামের বিভিন্ন রিজার্ভ অঞ্চলে মানুষ বস-বাস করে আসছে এবং ২০।২৫।৩০ বিঘা জমির উপর খাজনা দিয়ে আসছে তাদের জমি কৰ্ত্তন করা হয়েছে। কংগ্রেস আমলে সেই মধ্যযুগের দাসপ্রথা ও বর্বর প্রথা চলেছিল। ১৯৭২ সালথেকে ১৯৭৪-৭৫ সাল পর্য্যন্ত আসামের বিভিন্ন রিজার্ভ অঞ্চলে কৃষকদের জমি কৰ্ত্তন করে ১০ বিঘাতে কমিয়ে আনা হয়েছিল। আর সরকার সিলিং একট অনুযায়ী ৫০ বিঘা। আবার কোন কোন কৃষকের জমি ১০ বিঘা থেকে ২১ বিঘা পর্য্যন্ত দেওয়া হয়েছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি জারুলতলা রিজার্ভ অঞ্চলের কথা বলছি। সেখানে, রসিক মালির ১৯৩২-৩৫ ১০ বিঘাতে কমিয়ে আনা হয়েছিল এবং ১৯৪৮ ইংরাজীতে শশী বালা দাসের কংগ্রেস আমলে, ১৬ বিঘা থেকে ১০ বিঘা আর লক্ষী বালা দাসের ১৬ বিঘা থেকে ১০ বিঘা। আর আনন্দখাল রিজার্ভ অঞ্চলে এতুয়া মাঝি এবং তার ভাই মানিক মাঝির যথাক্রমে ৩৫ এবং ৪০ বিঘা থেকে কমিয়ে ১০ বিঘাতে আনা হয়েছিল।

মাননীয় উাপধ্যক্ষ মহোদয়, এইসব প্রজাদের সিলিং একট অনু-যায়ী অতিরিক্ত জমি দিয়ে, ১৯৩৫ ইংরাজীর অবস্থার পরিবর্ত্তন হইবে কি না? আমি জনতা সরকার ক অনুরোধ করছি আশাকরী জনতা সরকার হইার প্রতিকার করবেন।

*শ্ৰী সমৰ ব্ৰহ্ম চৌধুৰীঃ—অসমৰ বিধান প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসাৰে বিধান সভাৰ মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দে শিলচৰৰ বাতৰি কাকত "আসাম দৰ্পণত" ২৫ ফেব্ৰুৱাৰী তাৰিখৰ প্ৰকাশিত "কংগ্ৰেছ ৰাজত্বে ৰিজাৰ্ভ প্ৰজাদেৰ জমি কৰ্ত্তন—জনতাৰ আমলে প্ৰতিকাৰ চাই—" শীৰ্ষক বাতৰিটোৰ ওপৰত দিয়া জাননীৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

* Speech not corrected

এই সন্দৰ্ভত মাননীয় সদস্যজনক জনাব খোজো যে অসম ফৰেষ্ট ৰেগুলেচনৰ ৭২ (ই) ৭৪ আৰু ৭৫ ধাৰা অনুযায়ী সংৰক্ষিত বনঅঞ্চলত বন গঞ্জা পৰিয়ালৰ বসবাস বা বাবী পতাৰ বাবে সৰ্ব্বোচ ৫ বিঘা লৈকে মাটি আবন্টন দিব পৰা হয়। ইয়াৰ ওপৰিও পৰিয়ালৰ প্ৰতিজন কৰ্ম্মক্ষম মানুহৰ বাবে ১০ বিঘা কৈ খেতিৰ মাটি দিয়াৰ বিধি আছে। কিন্তু এটা পৰিয়ালে সৰ্ব্বোচ ৩৫ বিঘাতকৈ বেছি মাটি নেপাই। উক্ত সংবাদটোত প্ৰকাশ হোৱাৰ দৰে আনন্দখাল আৰু জাকুলতালা বনগাওঁত কোনো পৰিয়ালৰে উক্ত পৰিমানতকৈ বেছি মাটি থকাৰ প্ৰমান পোৱা নেযায়। উচ্চ সংৰক্ষিত বনাঞ্চল ডুখনত বন গঞ্জা হিচাবে পট্টন দিব পৰা উপযোগী মাটিৰ প্ৰতিমানলৈ চাই আৰু প্ৰত্যেক পৰিয়ালৰে কাৰ্য্যক্ষম সদস্যৰ সংখ্যাৰ ভিত্তিত কমবেছি পৰিমানে সকলোকে মাটি আবন্টন দিয়া হৈছে। কিন্তু সংবাদটোত কোৱাৰ দৰে প্ৰত্যোক পৰিয়ালৰ মাটি কেৱল ১০ বিঘাতে সীমিত কৰা হোৱা নাই। উদাহৰণ স্বৰূপে জাকুলতালা সংৰক্ষিত বনাঞ্চলত শ্ৰীগোপাল দাসৰ পৰিয়ালক মুঠতে ২৬ বিঘা ১৫ কঠাত শ্ৰী হৃতি বল্লভ সিঙক ১৭ বিঘা ১২ কঠা. শ্ৰীআসাবু সিঙৰ পৰিয়ালক ১১ বিঘা আৰু শ্ৰীমেঘা সিঙৰ পৰিয়ালক ৩৩ বিঘা ২ কঠা মাটি আবন্টন দিয়া হৈছে।

বাতৰিটোত অভিযোগ কৰা হৈছে যে—১০ বিঘাতকৈ অধিক মাটিত খাজনা ৰচিদ নিদিয়াকৈ ইচ্ছামতে বন বিভাগৰ কৰ্ম্মচাৰী সকলে আদায় কৰিছে। সংশ্লিষ্ট নথি পত্ৰ পৰীক্ষা কৰি দেখা যায় যে, যিমান মাটি দখল ভোগ কৰি আছে তেওঁৰ পৰা সেইপৰিমানৰ মাটিৰ নিৰ্দ্ধাৰিত খাজনা আদায় কৰা হৈছে। গতিকে বাতৰিটোত অনা অভিযোগ ভিত্তিহীন আৰু ভ্ৰান্তিমূলক।

বন গঞ্জা হিচাবে থকা পৰিয়ালসমূহোত মাহেকৰ ৫ দিন বিনাম-

জুৰীৰে বনাঞ্চলৰ বাবে শ্ৰমদান কৰিলে বন গাওঁ অধিনিয়মৰ ১০ আৰু ১১ ধাৰা অনুসৰি তেওঁলোকে বিনামূলীয়াকৈ ঘৰ সজাৰ বাবে সামগ্ৰী পোৱাৰ, খৰিৰ বাবে কাঠ, আৰু গৰু চৰোৱা আদি কিছুমান সুবিধা পায় এই সুবিধাবিলাকো উক্ত সংৰক্ষিত বনাঞ্চলৰ বন গঞা পৰিৱালসমূহে উপভোগ কৰি অহিছে ।

সংৰক্ষিত বনাঞ্চলত মাটি অবন্তন পোৱা বন গঞা পৰিয়ালসমূৰৰ পৰা এটা বিশেষ ৰেহাই হাৰত খাজনা লোৱা হয় । বনগাওঁ অধিনিয়মৰ ৮ ধাৰাৰ অধিনত প্ৰত্যেক বিঘা ৰূপিত মাটিৰ বাবদ কাছাৰ জিলাত ৬ আনাকৈ (৩৬ পইচা) খাজনা আদায় কৰা হয় ।

উক্ত সংৰক্ষিত বনাঞ্চল ভুখনত থকা বন গঞা পৰিয়ালসমূহৰ পৰা এই হাৰতে তেওঁলোকক আবন্তন দিয়া মাটিত পৰিমান অনুসৰি খজনা আদায় কৰা হৈছে ।

শ্ৰীৰমেন্দ্ৰ দে :—মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহাশয়, ঠিকেই বলছেন যে অত্যন্ত ভিত্তিহীন ও বিভ্ৰান্তিকর ব্যাপার । আমি খুব বেছি প্ৰশ্ন করবো না, শুধু জানতে চাই যে যদি ভিত্তিহীন না হয় এবং তার মধ্যে যদি সত্যতা থাকে তাহলে মন্ত্ৰী মহাশয় কি ব্যৱস্থা নিবেন ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী:— যদি তারা ফরেষ্ট ভিলেজার্স হয় তাহলে তাদের ৩৫ বিঘার বেছি জমি পাবার প্ৰশ্ন আসতে পারেনা । যদি কেউ ৪০ বিঘা পেয়ে থাকে তাহলে সেটা নিয়মের বাহিরে হয়েছে তাই যদি কোন ক্ৰটি হয়ে থাকে এবং তার প্ৰমান হয় তাহলে আমরা বিশেষ ব্যৱস্থা নেবার জন্য চেষ্টা করবো ।

Mr. Deputy Speaker :— Now item No.

Shri Nagen Baruah -— Mr. Deputy Speaker, Sir, I beg to present the Eigth Report of the Employment Review Committee relating to Plywood Industries in Assam.

Mr. Deputy Speaker :— Now item No. 4—A.

Dr. Tarini Mohan Barooah :—Mr. Deputy Speaker, Sir, I beg to move that the House do agree to the extension of time for submission of the Interim Report of the Committee to enquire into the matters relating to Health and Family Welfare Department and Public Health Engineering Department till 30th April, 1979. Sir, this Committee was constituted in June last year to go through and study and enquire the Health and Family Welfare Department including the entire medical service, Public Health Engineering Department, Ayurvedic and to submit an Interim Report within 31st March, 1979. But to study and enquire some information and data are required from the Govt. department. But those informations and data the Committee received very late. So the Committee found some difficulties to submit the repot in time. We are preparing this interim report but some vital informations regarding some burning problem of

the doctors and staff with regard to their seniority and promotions etc., are yet to be received. So we require some time to submit a complete report. I hope the Committee will be able to submit the report within the next month, I mean in April, if not earlier.

Shri Premadhar Bora :– Sir, in support of the extension of time I would like to say that if the Interim Report could not be submitted for want of required data from the Department concerned, it is a very serious matter and the officers at fault should be taken to task. I mean action should be taken against the defaulting officers.

Dr. Tarini Mohan Barooah :– Let me explain the position, sir. The explanation given by the Department is that due to some very important works in connection with planning it was difficult to give the data and information within the specified time.

শ্ৰীঅতুল গোস্বামীঃ– মাননীয় উপাধ্যক্ষ মহোদয়, পৰিকল্পনাৰ কামত ব্যস্ত থাকিব লগীয়া হোৱাৰ কাৰণে ডাক্তৰ সকলৰ চিনিয়ৰিটি লিষ্ট দিব নোৱোৰোটো বৰ দুখজনক কথা হৈছে। মই আপোনাৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰীক অনুৰোধ জনাওঁ যাতে ৩০ এপ্ৰিলৰ আগতেই দিবলৈ বিভাগে তত্পৰতা লয়। কাৰণ স্বাস্থ্য বিভাগত গোটেই অসমতেই যিবিলাক কাৰু কাৰ্য্য হৈছে, তাৰ কাৰণে সকলোৰে মন উদ্বিগ্ন কৰি ৰাখিছে। ইয়াৰ আগতেও মাননীয় সদস্য জনক মাৰ্চলৈকে

সময় দিছিল আৰু এতিয়া এপ্ৰিললৈ সময় দিবলৈ কৈছে। ইয়াৰ কাৰণ হৈছে স্বাস্থ্য বিভাগে যিবিলাক খবৰ দিব লাগে সেইবিলাক দিয়া নাই। এইটো বৰ দুঃখজনক হৈছে। মই মন্ত্ৰীমহোদয়ক অনু- ৰোধ জনাইছে যাতে তেখেত এই সম্পৰ্কত তত্‌পৰ লব আমিও যাতে সোনকালে ইন্টাৰিম ৰিপৰ্ট পাওঁ।

Shri Altaf Hussain Mazumdar:—Mr. Deputy Speaker, Sir I have got great respect for the hon'ble Health Minister who advised for constitution of this Committee. But it is a matter of great regret that in the direction level, there was little importance over the matter. So may I request the hon'ble Minisier to see that there is a change in the direction level so that the rotten things can be improved.

ডাঃ কোযেশ্বৰ বৰাঃ—উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিভাগৰ পৰা যিখিনি দৰকাৰী বস্তু দিবলগীয়া আছিল সেইখিনি দিয়া হৈছে। মাত্ৰ চিনিয়ৰিটি সম্পৰ্কৰ কথাটো দিব পৰা হোৱা নাই এই কাৰণেই যে এই বিষয়টো কেবিনেট লৈ যাবলগীয়া হয়। অৱশ্যে আজি কেবিনেট আছে। আজি আলোচনা কৰি ১০ দিনৰ ভিতৰত এই সম্পৰ্কীয় সকলো খবৰ দিব পাৰিম। মই মাননীয় সদস্যসকলক আশ্বাস দিছো যে ১০ তাৰিখৰ ভিতৰত সকলোবিলাক খবৰ দিম যাতে ৩০ এপ্ৰিল ভিতৰত কমিটিয়ে ৰিপৰ্ট দিব পাৰে।

শ্ৰীবানেশ্বৰ শইকীয়ঃ—উপধ্যক্ষ মহোদয়, মই এই কথা জানিব বিচাৰিছো——

Mr. Deputy Speaker:—Clarification has already been mede that hon'ble Minister Dr. Barooah wants time upto 30th April. But the hon'ble Minister has stated that he will take all neecessary steps to furnish this within 10th or so.

শ্ৰীবানেশ্বৰ শইকীয়া:—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গোটেই দায়িত্ব লোৱাৰ কথা কোৱা নাই। তেখেতে কেৱল চিনিয়ৰিটিৰ কথাহে কৈছে। বাকীবিলাক কোৱা নাই। উপাধ্যক্ষ মহোদয়, আপুনি জানে এই কমিটি খন কৰা হৈছে স্বাস্থ্য বিভাগৰ সামগ্ৰীক যিবিলাক খেলিমেলি তাৰ প্ৰয়োজনীয় বস্তুৰ কাৰণে। এই পৰিপ্ৰেক্ষিত যোৱা জুন মাহৰ পৰা মাৰ্চ মাহলৈকে ৯ মাহৰ ভিতৰত এটা ইণ্টাৰিম ৰিপৰ্টৰ কাৰণে দিয়া সময় শেষ হল। এতিয়া আকৌ সময় দিয়াৰ প্ৰয়োজন হৈছে। কমিটিৰ সভাপতি ডাঃ বৰুৱাদেৱে কৈছে যে 'ভাইটেল ডাটা ইয়েট টু বি কালেক্টেড্' ই এটা অংশহে। ইয়াৰ এটা পোৰচন কেবিনেটলৈ যাবলগীয়া হৈছে। বাকী বিলাকৰ সম্পৰ্কত কি হৈছে। এইটো নোহোৱাকৈয়ো বাকী অংশ দিব পাৰিলেহেঁতেন। যিহেতু অসমৰ গোটেই স্বাস্থ্য বিভাগটো ইয়াত জৰিত হৈ আছে। আৰু চৰকাৰী পক্ষও ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লবলৈ অপেক্ষামান হৈ আছে। গতিকে এই গোটেই কথাটোৰ গুৰুত্ব সামগ্ৰীক ভাবে উপলব্ধি কৰি এই প্ৰতিবেদন দিয়াৰ ক্ষেত্ৰত পিচুৱাই নাযায় তাৰ কাৰণে কমিটিৰ তত্পৰতা অৱলম্বন কৰিবনে ? আৰু এই পলমটো মই বৰ দুখ জনক বুলি ভাবিছো।

ডাঃ তাৰিনীমোহন বৰুৱাঃ—মাননীয় সদস্য বানেশ্বৰ শইকীয়া

যিখিনি কথা কৈছে সেইটো সত্য কথা । আমি ষ্টাকচাৰৰ ওপৰত বেচি গুৰুত্ব দিছো, আৰু যিটো কমিটি কৰা হৈছিল সেইটোত ডাক্তৰ সকলৰ বাৰদেন প্ৰবলেমৰ কথা আছে। বাকী যিবিলাক ৰিপৰ্ট আমাৰ সম্পূৰ্ণ হৈ আছে সেইখিনি হলেই দিব পাৰিম । সেইকাৰণে অলপ সময় বিচৰা হৈছে ।

ডাঃ কোযেস্বৰ বৰাঃ—১০ তাৰিখৰ ভিতৰত দিব পাৰিম ।

Mr. Deputy Speaker:—No I wput the motion. The motion is that the House do agree to the extension of time for submission of interim report of the Committee to euquire into the matter relating to Health & Family Welfare Department and Public Health Engineering Depa rtment till 30th April, 1979.

The motion is passed.

Now item No. 2—Shri Rohindra Kumar Choudhury

শ্ৰীৰবীন চৌধুৰীঃ—মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৮ চনত অসমৰ অনুসূচিত জাতি আৰু অনুসুচিত জনজাতি চাকৰি সংৰক্ষণৰ বিলৰ ওপৰত কবলৈ গৈ মই প্ৰথমতে আমাৰ বহুতে বহুত ধৰণৰ কথা কৈছে। মই সদনত এইটো উনুকিয়াইছো যে এই বিলখনে কিবা এটা শ্ৰেণীগত বা বৰ্ণ গত বিষয়ে ৰূপ লব পাৰে এইকথাযাৰ মুঠেই যুক্তি সংগত হোৱা নাই । কিয়নো আজি আমাৰ সংবিধানে ভাৰতত এই চাম লোকৰ অভিজ্ঞৰে পৰা চলি অহা জাতি-উপজাতি তাৰোপৰি

সমাজব্যৱস্থা যি ধৰণৰ অসামনযস্য চলি আছে সেইটো আতৰাই কেনেকৈ শ্ৰেণীহীন সমাজ গঠণ কৰিব সেইবিষয়ে প্ৰতিজ্ঞাবদ্ধ হৈছিল যাতে সমান আৰু অসমান এই দুয়োটা শ্ৰেণী যাতে একেভাবে সমান্তৰাল ভাৱে আগ বাঢ়ি গৈ থাকিলে সমান আৰু অসমান এই দুইটা যোগাযোগ নোহোৱাকৈয়ে চলি থাকে। তেন্তে ই সমান আৰু অসমান হৈয়ে থাকিব। আজি এই ক্ষেত্ৰতই নহয় আমাৰ সংবিধানৰ যোগেদি যাতে জাতি বৰ্ণ শ্ৰেণী, ধৰ্ম্ম আৰু চেস্কৰ সন্দৰ্ভত বৈশম্য থাকিব নোৱাৰে বুলি আৰটিকেল ১৫ ত কৈছে। ঠিক তেনেকৈয়ে চাকৰি আৰু অনান্য দুৰ্ব্বল মহিলা আৰু শিশু সকলৰ বেলিকা এটা পাৰ্থক্য আছে সেইটোৰ কাৰণে সংবিধানৰ ১৫(৩) ধাৰাত কৈছে যে মহিলা আৰু শিশুসকলৰ মংগলৰ কাৰণে আচুতীয়াকৈ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব পাৰে। ঠিক তেনেকৈয়ে আজি আমাৰ উচ্চ শ্ৰেণীৰ লোক সকলৰ লগত ফেৰ মাৰিব লগা হলে অনুন্নত আৰু অনুসূচিত জাতি লোক সকলোৰ হকে কিবা যদি আচুতিয়াকৈ সংৰক্ষণৰ ব্যাৱস্থা নাৰাখোঁ তেতিয়াহলে এই পিচপৰা শ্ৰেণী সদায় পিচপৰিয়েই থাকিব। আৰু তাৰ কাৰণেই সংবিধানত ১৬ (৪) অনুচ্ছেদত কৈছিল যে পিচপৰা লোক সকলৰ উন্নতিৰ কাৰণে চৰকাৰে তেওঁলোকক বিশেষকৈ এই চাকৰিয়ালৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু আজি জনতা চৰকাৰে সংবিধানৰ ১৬ (৪) অনুচ্ছেদ অনুসৰি এই বিল খন আনিছে। এই বিলখনত সহায় কৰিবৰ কাৰণে চাকৰিৰ ক্ষেত্ৰত আচুতীয়াকৈ ব্যৱস্থা ৰাখিবলৈ বিচৰা হৈছে তাৰ দ্বাৰা নিযুক্তি আৰু প্ৰমোচনৰ সুবিধা দিয়া হব। আৰু তাৰ ফলত প্ৰশাসনৰ কামত আৰু উন্নয়ণ মুলক কামত ব্যাঘাত জন্মিব পাৰে সেই কথা কোৱা হৈছে। প্ৰকৃততে সেই কথা নহয়। আমাৰ ভাৰতীয় সংবিধানৰ ৩৩৫ অনুচ্ছেদ অনুসৰি সংবিধানৰ স্ৰষ্টাসকলে নিশ্চয় এই বিষয়ে চিন্তা কৰিছিল। সেয়েহে ৩৩৫ অনুচ্ছেদত সংবিধানত এইদৰে কোৱা হৈছে।

The claims of the members of the Scheduled Castes and Scheduled Tribes shall be taken into consideration consistently with the maintenance of efficiency of administration in the making of appointments to Servces and Posts in connection with the affairs on the Union or of the State.

এতেকে সেই আচুতীয়া সংৰক্ষণৰ ব্যৱস্থাত নিযুক্তি আৰু প্ৰমোচন দিয়াৰ ক্ষেত্ৰত নিযুক্তি কৰে কৰ্মদক্ষতাৰ প্ৰতি নিশ্চয় চকু ৰাখে, আৰু এই আচুতীয়া নিযুক্তি আৰু প্ৰমোচনৰ ক্ষেত্ৰত অনুসূচিত জাতি আৰু জনজাতি লোকসকলৰ বেচিক কোৱালিফিকেচন নিশ্চিতভাবে থাকিবই লাগিব বহুতেই কৈছিল যে মেধাবী শক্তি থাকিব লাগিব কিয়নো মেধাবী নহলে প্ৰশাসনত ব্যাঘাত জানিব পাৰে। সেইকাৰণে আচুতীয়াকৈ নিযুক্তি ব্যৱস্থা কৰিলে অপ্ৰিয়জন হব পাৰে বুলি ভাবে। কিন্তু এই অহৰ্তা কাৰণে আচুতীয়াকৈ সুবিধা দিয়াৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতি লোক সকলৰ মাজতেই প্ৰাৰ্থীৰ বাচনিৰ ক্ষেত্ৰত তেওঁলোকৰ মাজতেই ফেৰ মাৰিব লাগিব। আৰু সেই প্ৰতিযোগিতাত যিজনেই উপযুক্ত হব তেৱেঁই নিযুক্তি প্ৰাপ্ত হব।

চৰকাৰে আজি তেওঁলোকৰ হুকুম আৰু নীতি অনুসৰি এই ব্যৱস্থাটোত আগবাঢ়ি ১৯৫০ চনৰ পৰা বিভিন্ন নিৰ্দ্দিষ্টকৰণৰ ক্ষেত্ৰত এই অনুসূচিত জাতি, জনজাতি লোক সকলৰ নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্ৰত আচুতীয়া ব্যৱস্থা ৰাখিছে। কিন্তু এ বিলাক অকল চাৰ্কোলাৰ বা অৰ্ডাৰহে আছিল আৰু যিহেতু কোনো বিধিগত ব্যৱস্থা নাছিল তাৰ কাৰণেই এই মানুহ বিলাকক নিযুক্তি দিয়াত উপেক্ষা কৰিছিল। তাৰে এটা বলিষ্ঠ প্ৰমান মই দিব পাৰোঁ যে আমাৰ এ পি এচ চিৰ

দ্বাৰা গোটেই অসমত ৬ জন ডিষ্ট্ৰিক্ট হোম গাৰ্ডচ এপইণ্টমেণ্ট দিয়াৰ কাৰণে বিজ্ঞাপন দিছিল আৰু সেই হিচাপে বাচনিৰ দ্বাৰা তেওঁলোকে ৬ জন প্ৰাৰ্থী মনোনীত কৰে। কিন্তু এই ৬ জন প্ৰাৰ্থীৰ ভিতৰত তিনি জনক চৰকাৰে ১৯৭৭-৭৮ চনত নিযুক্তি দিলে। ১৯৭৮ চনত আৰু এজনক নিযুক্তি দিলে। কিন্তু এ, পি, এচ চিয়ে মনোনীত কৰা অনুসূচিত জাতিৰ প্ৰাৰ্থীজনক ১৯৭৯ চনলৈকে হোৱা নাছিল। মাত্ৰ যোৱা পৰহিহে এই প্ৰাৰ্থীজনক নিযুক্ত দিছে। এ পি এচ চয়ে মনোনীত কৰা স্বত্বেও এই প্ৰাৰ্থীজনক আজি দুবছৰ ধৰি পেলাই ৰাখি চৰকাৰে নিশ্চয় অন্যায় কৰিছে। বোধকৰোঁ মাননীয় সদস্যসকলে এই নিশ্চয় কথাটো মন কৰিব। মই দুখৰ সৈতে কব লগা হৈছে যে ১৯৭৮ চনত ধুবুৰীৰ জিলাধিপতিয়ে কেৰানী নিয়োগ কৰিবৰ কাৰণে এখন লিষ্ট প্ৰনয়ন কৰিছিল। সেই লিষ্টখনত যি জনে প্ৰথম স্থান পাইছিল সেইজন অনুসূচিত জাতিৰ প্ৰাৰ্থী আৰু চাকৰি পোৱাৰ যোগ্যও। সেই লিষ্টখনৰ এজনো প্ৰাৰ্থী আজিলৈকে নিয়োগ কৰা হোৱা নাই। আৰু ইতিমধ্যে সেইখন বাতিল কৰি দিয়াহৈছে। আজি ৩০ বছৰ ধৰি এই অনুসূচিত জাতি আৰু জনজাতিৰ লোক সকলৰ মঙ্গলৰ কাৰণে চৰকাৰে নীতি ঘোষণা কৰিছিল আৰু তাৰ কাৰনে ব্যৱস্থাও গ্ৰহন কৰিছিল। কিন্তু সেই বিলাক কাৰ্য্যকাৰী কৰা হোৱা নাছিল। সেই কাৰণে আজি আমাৰ জনতা চৰকাৰে ভাৰতৰ আন আন ৰাজ্যৰ দৰে অনুসূচিত জাতি আৰু জনজাতিলোক সকলৰ নিযুক্তিকৰণৰ আইন গ্ৰহণ কৰিছে তাৰ দ্বাৰা এই লোক সকল নিশ্চয় উপকৃত হব বুলি ভাবোঁ। আমাৰ বহুতো সদস্যই কৈছে যে এই আইনৰ দ্বাৰা প্ৰকৃতপক্ষে তেওঁলোক উপকৃত নহব। এইটো একেবাৰে মানি লব নোৱাৰিলোঁ। কিয়নো আজি আমাৰ অনুসূচিতজাতি আৰু জনজাতিৰ যি ধেইগৰাকী লোক শিক্ষিত হৈছে নাইবা সমাজত প্ৰতিষ্ঠিত হৈছে তেওঁলোক চৰকাৰৰ পৰা

যি জলপানী পাইছে একমাত্র তাৰ সহায়তহে এইখিনিলৈ আগবাঢ়িব আহিব পাৰিছে। সেয়ে আজি নিযুক্তিৰ ক্ষেত্ৰত তেওঁলোকে অগ্ৰাধিকাৰ পায় তেনেহলে অকল সেইজন ব্যক্তিয়েই নহয় তেওঁৰ পৰিয়াল, জাতি, আৰু শ্ৰেণীৰসকলোৱে সম্পূৰ্ণৰূপে উপকৃত হব। এইখিনিতে মই এটা কথা উনকিয়াব নো খুজিছো যে এই চৰকাৰে এজনো শিক্ষক নিযুক্তি দিব পৰা পৰা নাই বুলি ১৯৭৮-৮৯ চনৰ ভিতৰত তাৰ কাৰনে চৰকাৰৰ নীতিকে জগৰীয়া কৰা হল। এতেকে আমি চৰকাৰে এনে নিযুক্তি দিব নোৱাৰাৰ কাৰনে যেনেকৈ চৰকাৰে ফেইল কৰিছে বুলিকৈছো ঠিক তেনেকৈ আজি এই অনুসূচিত জাতি আৰু জনজাতি লোক সকলৰ অৰ্হতা থাকিলেও যদি নিযুক্তি নাপায় তেনেহলে তেওঁলোকৰ ক্ষতি কৰা হব। কিয়নো আজি এজন অভিভাৱকে বহুতো কষ্টৰ মাজেৰে তেওঁৰ লৰা ছোৱালী পঢ়াইছে আৰু পঢ়াই যদি চাকৰি নাপায় তেনেহলে নিশ্চয় তেওঁৰ মনোবল ভাঙি যাব! যদি এই লোক সকলৰ শিক্ষিত লৰা ছোৱালীখিনিক চাকৰিত মকৰল কৰিব পৰা যায় তেনেহলে তেওঁলোকৰ সেই ভাঙি যোৱা মনোবল ঘূৰি আহিব। মই ভাবো এই অনুসূচীত জাতি আৰু জনজাতি সকলৰ কাৰনে কোনেও একমুহুৰ্ত্তৰ কাৰনে চিন্তা কৰিব পৰা নাই। আজি ভাৰতত যি সকল হৰিজন আছে তেওঁলোকৰ কথাও কোনেও চিন্তা কৰিব পৰা নাই। আজি আমাৰ দেশৰেই কথা কৈছো — যিদিনাই এজন হৰিজনৰ ঘৰত জন্ম গ্ৰহন কৰে সেইদিনাই তেওঁক এজন মিউনিচিপেলটীৰ কৰ্ম্মীৰূপে পৰিচিত হয়। কিন্তু তেনে ধৰনৰ সকলো লোককে মিউনিচিপেলিটীয়ে মেটৰ আদি কামত কৰ্ম্মসংস্থান কৰি দিব পৰা নাই। গতিকে আজি আমাৰ যি বিলাক অনুসূচীত জাতি আৰু জনজাতি আছে তেওঁলোকৰ ঘৰৰ পৰা যদি কোনোবা এজনে বি এ পাছ কৰি বা মেট্ৰিক পাছ কাৰ কোনো ক্ষেত্ৰতে নিযুক্তি নাপায় তেনেহলে আৰু কোনোবা অনুসূচীত জাতি বা হৰিজনৰ লৰাক পঢ়ুৱাবনে? ঠিক তেনেকৈয়ে মই কব পাৰো

কামৰূপতেই এজন হৰিজন ল'ৰাই বি এ পাছ কৰি আজি ৫ বছৰে বহি আছে তেওঁক কতো নিযুক্তি দিব পৰা নাই। ঠিক তেনেকৈ গোৱালপাৰাত হৰিজনৰ ভিতৰত দুজনে মেট্ৰিক পাছ কৰিছে। কিন্তু নিযুক্তি পোৱা নাই। এতিয়া মন কৰিবলগীয়া কথা যে চৰকাৰে নীতি গ্ৰহন কৰিছে কিন্তু সেই নীতি কাৰ্য্যত পৰিনত কৰিব পৰা নাই। আজিলৈকে কামৰূপ বা গোৱালপাৰাত বেলেগ সম্প্ৰদায়ৰ ল'ৰাছোৱালীয়ে বি এ বা মেট্ৰিক পাছ কৰি কতো নিযুক্তি হোৱা নাইনে ? কিন্তু মোৰ দৃঢ় বিশ্বাস এই বি এ পাছ হৰিজন ল'ৰাজনক আজিলৈকে নিযুক্তি দিয়া হোৱা নাই। তেনেকৈয়ে যদি সেই ল'ৰাজন নিযুক্তি নোপোৱাকৈ থাকে তেনেহলে বোধকৰো কোনো হৰিজনে ল'ৰা ছোৱালীক পঢ়োৱাৰ কথা চিন্তা কৰিব নোৱাৰিব। কিয়নো তেওঁ যদি বি এ পাছ নকৰি-লেহেতেন তেন্তে লেট্ৰিন ছাফা কৰিব পাৰিলেহেতেন। বি এ পাছ কৰাৰ পিচত লেট্ৰিন চাফা কৰা কথাটোও মিছা। গতিকে জনতা চৰকাৰে এই ক্ষেত্ৰত যিখন বিল আনিছে সেইখন অকল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে এনে ধৰনৰ বিল উত্থাপিত হৈছে। মই কব খোজো এই বিলৰ দ্বাৰা অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক সৰ্ব্বাধিক সুবিধা দিয়াৰ ব্যৱস্থা কৰিব

মই সেই দিনা কৈছো যে ভাৰতীয় সংবিধানত ১৭ অনুচ্ছেদ অনুসৰি অস্পৃশ্যতা বৰ্জন কৰে। ১৯৫৫ চনতে এই আইন আনে। কিন্তু আজিও হৰিজন সকলে মুকলি ভাৱে চাহ দোকানত চাহ খাব পৰা নাই। হৰিজন হিন্দু সকলৰ অস্পৃশ্য কিন্তু মই দেখিছো এওঁলোক সকলোতে অস্পৃশ্য। আমাৰ ইয়াত যি সকল সদস্য আছে এই সকলোবিলাক হৈছে সকলো লোকৰে প্ৰতিনিধি। বিশেষ এটা জাতি বা শ্ৰেণীৰ কাৰণে প্ৰতিনিধিত্ব কৰিবলৈ অহা নাই। সকলো জাতি

বা শ্রেণীৰ মঙ্গলৰ অৰ্থে অথবা মঙ্গল কামনা কৰিবলৈ ইয়ালৈ আহিছো। আমালোকৰ চাকৰিৰ ক্ষেত্ৰত জাতীয় কল বান্ধি দিয়া হৈছে। আপোনালোকে জানে যে অনুসূচীত জাতি অনুসূচীত জনজাতিৰ সকলোৰে প্ৰতিনিধিত্য আছে। এই প্ৰতিনিধিত্ব্য সম্ভৱপৰ হৈছে একমাত্ৰ সংবিধানত আসন সংৰক্ষণ কৰা হেতুকে। অনুসূচীত জাতি বা জনজাতিৰ যি সকল প্ৰতিনিধি আছে তেওঁলোক এই কাৰণেই ইয়ালৈ আহিব পাৰিছে কিয়নো তেওঁলোকৰ আসন সংৰক্ষিত কৰি ৰখা হৈছে। সেই কাৰণেই আমি নিৰ্ব্বাচিত হৈ আহি মনৰ ভাৱ প্ৰকাশ কৰি কোৱাৰ সুযোগ পাইছো। গতিকে মই কব খুজিছো যে এই আইন প্ৰণয়ন কৰিলে অনুসূচীত জাতিৰ উন্নতি নহব পাৰে বুলি কিছুমানে কোৱামতে মই কওঁ যে আজিয়েই মনৰ ভাৱ প্ৰকাশ কৰিবলৈ সুযোগ পাইছে, এই সুযোগ খিনি একমাত্ৰ পাইছো আমাৰ কাৰণে সংৰক্ষিত আসনৰ কাৰণেহে। সকলো ৰাইজৰে দায়িত্ব অৰ্পণ কৰিছে। মই যে কথাষাৰ কৈছো কোনোবাই হয়তো বেগেগ ধৰণে লব পাৰে কিন্তু এই কথা আবেগত কোৱা নাই। মই যি কেইটা ঘটনাৰ কথা কৈছো এতিয়াও অফিচত আছে। বিচাৰ কৰিলে নিশ্চয় পাব। আজি আমাৰ বহুতে মেধাবীৰ কথা কৈছে। আমাৰ তেনেকুৱা পাৰিবাৰ্শ্বিকতা নাই শিকিবলৈ সুযোগ নাই শিক্ষা অনুষ্ঠান নাই। কিন্তু মই কব খুজিছো আমাৰ এই দিশপুৰতেই মেট্ৰিক পাছ আণ্ডাৰ চেক্ৰেটাৰী আৰু ডিপুটি চেক্ৰেটাৰী আছে। কিন্তু তেওঁলোক কোনো অনুসূচীত জাতি বা জনজাতিৰ নহয়। অনুসূচীত জাতি আৰু জনজাতিৰ ভিতৰত তেনেকুৱা কোনো আণ্ডাৰ চেক্ৰেটাৰী বা ডেপুটি চেক্ৰেটাৰী নাই। কিন্তু ইয়াত মেধাবীৰ কথা নুঠে। বেচিক কোৱালিফিকেশ্যন থাকিলেহে তেওঁলোকে পাব। বি-এ পাচ হলেহে তেওঁলোকে ডেপুটি চেক্ৰেটাৰী বা আণ্ডাৰ চেক্ৰেটাৰী পাব। কিন্তু সেইটোৰ কোনো কথা নাই। অৰ্হতাসম্পন্ন ভাবেহে

সেই কাম পাব। ন্যায়িক শাসনটো সংবিধানে ব্যৱস্থা কৰি থৈছে। যি জনৰ ন্যায় বিচাৰৰ জ্ঞান আছে তেওঁৱেই আসন পাব। কাৰিকৰীৰ ক্ষেত্ৰতো যদি অৰ্হতা নাথাকে তেনেহলে কোনো অনুসূচীত জাতিৰ লোকে চাকৰি নাপাব। এইদৰে যদি মনোনীত হয় তেনেহলে উপযুক্ত প্ৰশাসন বিস্তৃত হোৱাৰ সম্ভৱনা নাই। ১৯৫২ চনৰ পৰা আজিলৈ অনুসূচীত লোকৰ কাৰণে অচুতীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। অনুসূচীত লোকসকৰ যি মনোবেদনা আমি সেইটো উপলব্ধি কৰিব পৰা নাই। বিশেষকৈ এই অস্পৃশ্য জামাদাৰ সকলৰ ক্ষেত্ৰত আমি অলপো মনোনিবেশ কৰিব পৰা নাই। আমি তেওঁলোকৰ ৰক্ষণাবেক্ষণৰ কাৰণে যদি চেষ্টা কৰো তেনেহলে হয়তো গান্ধীজীয়ে কোৱাৰ দৰে জাতি-ভেদ নোহোৱা কৈ এখন সুন্দৰ দেশ গঢ়ি তুলিব পাৰিম। এই খিনিতে মই এটা কথা কওঁ, গান্ধীজীয়ে কৈছিল যে তেওঁ পুনৰ জন্ম লবলৈ ইচ্ছা নকৰে। কিন্তু কোনোবা যদি হৰিজনৰ ঘৰত জন্ম লয় তেনেহলে তেওঁ পুনৰ জনম লব পাৰে। সেই গতিকে মই আশা ৰাখিছো যে জনজাতি বা অনুসূচীত জাতিৰ মঙ্গলৰ কাৰণে সংসদে যি সংবিধানৰ ধাৰা উপধাৰা এই লোক সকলৰ সুবিধাৰ কাৰণে দি গৈছে সেইটো কাৰ্যাত ৰূপায়িত কৰিব। ইয়াত যি শতকৰা আচুতীয়াকৈ ৰখাৰ কথা আছে অনুসূচীত লোকৰ কাৰণে শতকৰা সাত আৰু জনজাতি কাৰণে শতকৰা দহ ভাগ সেই ক্ষেত্ৰত মই কব খুজিছো যে, যি হেতুকে হৰিজন সকলৰ জন্মৰ পৰা পেচা জামাদাৰ হৈ আছে আন কোনো কাম কৰিবলৈ নাহে গতিকে সেই হৰিজন কৰ্মীসকলক চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ ক্ষেত্ৰত সামৰিব নালাগে অন্যথায় জাতিগত পেচা আৰু কোনেও কৰিব নুখুজা কামত অনুসূচীত লোকৰ সংখ্যাধিক্য দেখুৱাই এই বিলৰ উদ্দেশ্য ইতি কৰোৱা হব।

শ্ৰীফনি মেধি :— মাননীয় সদস্যজনে হৰিজন সকলৰ কথা কৈছে— তেখেতৰ সমষ্টিত এখন হৰিজন স্কুল আছে — সেই স্কুল খনলৈ তেখেতে টকা পইচা দিয়াৰ ব্যৱস্থা কৰিছে নে ?

শ্ৰীঅতুল গোস্বামী : - উপাধ্যক্ষ মহোদয়, বিল খন এতিয়া কনচিডাৰেচনৰ ষ্টেজত হে আছে। গতিকে তেখেতে বাহিৰা কথা নকৈ এচেচ্‌মেণ্ট কৰি কওক।

শ্ৰীৰবীন্দ্ৰ চৌধুৰী : এচেচ্‌মেণ্ট কৰা হৈছে।

শ্ৰীফনি মেধি :— উপাধ্যক্ষ মহোদয়, তেখেতে ডাবেক্টলী — মেম্বাৰৈল চাই কথা কৈছে।

শ্ৰীখগেন বৰবৰুৱা :— ইয়াত যিটো প্ৰভিজন আছে – পাৰ্চেণ্টেজৰ (শতকৰা হিচাব) কথা উল্লেখ নাই।

শ্ৰীঅতুল গোস্বামী :— উপাধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীক মই এটা কথা জনাব বিচাৰিছো যে— চাকৰিৰ ক্ষেত্ৰত নাইবা চৰকাৰৰ কিবা সুবিধা পাবলৈ হলে অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোকে এখোন দৰ্খাস্ত কৰিব লাগে আৰু সেই দৰ্খাস্তৰ লগত এখন জাতিগত চাৰ্টিফিকেট দিব লাগে — অনুসূচীজাতি বা অনুসূচীত জনজাতিৰ হয় নে নহয় সেই চাৰ্টিফিকেটখন দিয়ে — যি প্ৰত্যেক জিলাত প্ৰত্যেক কমিটিৰ মালিক হৈ আছে। বা ডি, চি আৰু এচ, ডি, অ'ই দিব পাৰে। চাৰ্টিফিকেট দিয়া কৰ্তৃপক্ষ আছে কিন্তু সেই চাৰ্টিফিকেট লোৱাৰ কাৰণে ফিজ দিব লগীয়া হোৱা কথাটো হয় নে নহয় ? যদি তেনেকুৱা ব্যৱস্থা আছে তেতিয়াহলে সেইটো উঠাই দিয়াৰ কাৰণেহে এটা দাবী হোৱা উচিত।

শ্ৰীযোগেন গগৈ : চাৰ্টিফিকেট লবলৈ যাওঁতে ৫ টকা — কেতিয়াবা তাতোতকৈ বেছি ফিজ দিব লাগে — কথাটো কি ?

শ্ৰীৰবীন্দ্ৰ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, — সেই কথাষাৰ ইয়াত নাহে। যিহেতুকে মই কব বিচাৰিছে — এই হৰিজন সকল জাতিগত ভাবে পেচা লৈ আছে। সেইকাৰণে চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল হিচাবে ধৰিব লাগে — কিন্তু পাৰ্চেণ্টেজ হিচাবে ধৰিব নালাগে।

শ্ৰীছামচুল হুদ : - মাননীয় সদস্যই যিটো কথা কৈছে—তেখেতে নিজে অনুসূচীত জাতিৰ হোৱা বাবে ৰিজাৰ্ভেচনৰ বাবে মত ডাঙি ধৰিছে আৰু তেখেতে এইটোও উল্লেখ কৰিছে যে— হৰিজন সকলক এই শতকৰা ৭ ভাগৰ পৰা বাহিৰত ৰাখিব লাগে। এই হৰিজন সকল অস্পৃশ্য বুলি বাহিৰত ৰাখিব লাগে নে কি ?

Shri Rabindra Choudhury :— Within 7 percent, I am telling sir. There is no competition. There is nothing of this short. তাৰোপৰি উপাধ্যক্ষ মহোদয়, ইয়াত এটা মন কৰিব লগীয়া কথা আছে যে — কোনো অফিচত ২০।২৫ টা পোষ্টত নিযুক্তি দিলেহে — এই আইনখন কাৰ্য্যকৰী হোৱাৰ সম্ভৱনা আছে। ইয়াৰ আগতে আপোনালোকে জানে যে— বেছিভাগ ক্ষেত্ৰতেই কোনো অফিচত ২০।২৫ টা পোষ্ট একে সময়তে খালি নহয় — আৰু সেই হিচাবত কোনো এডভাৰটাইজো নহয়। সেইকাৰণে আমাৰ যিটো ৰোষ্টাৰ কৰা হৈছে — অনুসূচীত জাতি বুলি যদি বেলেগে ১২ টা পোষ্টৰ এডভাৰটাইজ কৰে — তেতিয়াহলেহে ৰিজাৰ্ভেচনৰ প্ৰশ্ন আহিব পাৰে নাহে। ঠিক সেইদৰে অনুসূচীত জাতিৰ লোকক চেলেকচন কৰিবলৈ যদি তেনে কৰে তেতিয়াহলে — ১২।১৪ টা পোষ্ট খালি হলেহে তেওঁলোকে সংৰক্ষণৰ সুবিধা আহিব পাৰে। গতিকে আজি

যিটো বিল আনিছে – এই বিলৰ ক্ষেত্ৰত প্ৰকৃতপক্ষে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলৰ — মই ভাবো—পূৰ্ণ পৰ্য্যায়ত যে নিযুক্তি হব — সইটো নহয়। সেই কাৰণে আমাৰ মাননীয় সদস্য সকলে সঁচাঁকৈ যদি অনুসূচীত জাতি আৰু অনুসূচীত জন জাতি লোক সকলৰ সকলো প্ৰকাৰে উন্নতিৰ কামনা কৰিছে — যিহেতুকে আমি ভাৰতখনত শ্ৰেণীহীন সমাজ গঠণ কৰিবলৈ বদ্ধ পৰিকৰ— সেই হিচাবে আমি অনুৰোধ কৰিব বিচাৰিছো এই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক সকলক সৰ্ব্ব ক্ষেত্ৰত সুবিধা দিব লাগিব এইখিনি মাননীয় সদস্য সকলৰ ওপৰত আশা ৰাখি মোৰ বক্তব্য সামৰিলোঁ।

* মঃ ছামচুল হুদা :— উপাধ্যক্ষ মহোদয়, আজি আমাৰ সদনৰ সম্মুখলৈ এখন গুৰুত্বপূৰ্ণ বিল আহিছে। এইখন আমি অৱশ্যে ইতি-মধ্যে জানিবলৈ পাইছো যে — The Assam Scheduled Castes and Scheduled Tribes (Reservation of Vacancies in Services and Posts) Bill, 1978 বিলখন চকুত পৰাৰ লগে লগে আমাৰ ভাৰতবৰ্ষত - ভাৰতীয় সভ্যতাৰ ঐতিহাসিক পথভূমিলৈ মনত পৰে। লগে লগে এই কথা মনত পৰে মানুহৰ মাজত মানুহে কেনেকৈ মানুহক শ্ৰেণী বিভাজন কৰিছে— জাতিৰ বিভাজন কৰিছে।

উপাধ্যক্ষ মহোদয়, যিখন বিল আমাৰ সম্মুখলৈ আহিছে— এই বিল খন হল — ভাৰতবৰ্ষত চলি থকা পুজিবাদ সমাজ ব্যৱস্থাই তাৰ অনিবাৰ্য্য দান। এই বিলখন আমাৰ মাজলৈ আনিব লগা নহল হেতেন বা নাহিল হেতেন— কিন্তু ইয়াৰ ইতিহাস হল—অতীতৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈ ভাৰতবৰ্ষত যি সমাজ ব্যৱস্থা চলিলে — সেই ব্যৱস্থাৰ ভিতৰত পুজিবাদী ব্যৱস্থাই ইয়াৰ প্ৰধান পৃষ্ঠ পোষক — যাৰ কাৰণে আজিৰ যি চৰকাৰ, সেই চৰকাৰেই বাধ্য হব লগীয়া হৈছে এই বিল আনিবলৈ। এইখিনিতে কৈ থোৱা ভাল হব যে—আমি কথা কবলৈ

* Speech not corrected

আৰম্ভ কৰোতেই— এইটো কথা ভবা উচিত নহব যে— এই বিল খন আমি বিৰোধিত কৰিছো। কিন্তু আমি এইটো কথা মনত পেলাই দিব বিচাৰিছো যে — এই বিলখন পাছ কৰি দিলেই অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ মঙ্গল হৈ নাযাব — ইয়াৰ মাজত বহুতো কথা আছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীৰবীন্দ্ৰ চৌধুৰীয়ে উল্লেখ কৰিছে যে — এই বিলখনৰ দ্বাৰা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক সকলৰ মঙ্গল হৈ নাযাব। বাতৰিত আমি দেখিবলৈ পাইছো — উপাধ্যক্ষ মহোদয় — আজি ইংৰাজী শব্দ উল্লেখ কৰি যিটো শিৰোনামা কৰিছে এচ, চি আৰু এচ, টি বুলি — সেইটো এই বিলখন পঢ়িবলৈ যাওঁতে — এইটো একোটা জাতিগত নাম বা জন্মগত নাম হৈ পৰিছে—এইটো এটা পুজিবাদী সমাজ ব্যৱস্থা বা সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাই যেন এই ব্যৱস্থাটো প্ৰবৰ্ত্তন কৰি গৈছে।

Mr. Deputy Speaker: The Hon'ble Member will resume his speech tomorrow during the transaction of Government Business. The House stands adjourned till 10.00 A.M, tomorrw, 31st March, 1979.

## ADJOURNMENT

The House then rose at 11-30 A.M. and sood adjourned till 10 A.M. on Saturday, the 31st March 1979.

DISPUR:
The 30th March, 1979

P.D. BARUA
Secretary
Assam Legislative Assembly.